REFERENCE,
( NOT FOR ISSUE )
READING ONLY INSIDE LIBRARY

# Assam
# Legislative Assembly Debates

## Official Report

**SEVENTEENTH SESSION OF THE ASSAM LEGISLATIVE ASSEMBLY ASSEMBLED AFTER THE FIFTH GENERAL ELECTIONS UNDER THE SOVEREIGN DEMOCRATIC REPUBLICAN CONSTITUTION OF INDIA**

## Budget Session

## Vol. XVII

No. 26

**THE 6 TH MAY, 1977**

1989

PRINTED AT PRINTORAN PRESS, DANISH ROAD, PANBAZAR, GUWAHATI—781001

REFERENCE
(NOT FOR ISSUE)
READING ONLY INSIDE LIBRARY

PROCEEDINGS OF THE SEVENTEENTH SESSION OF THE ASSAM LEGISLATIVE ASSEMBLY ASSEMBLED AFTER THE FIFTH GENERAL ELECTIONS UNDER SOVEREIGN DEMOCRATIC REPUBLICAN CONSTITUTION OF INDIA

The House met in the Assembly Chamber, Dispur, Guwahati on Friday, the 6 th May, 1977 with the Hon. Speaker in the Chair, 11 ( Eleven ) Ministers, 4 ( Four ) Ministers of State, 1 (One) Deputy Minister and 79 ( Seventynine ) Members present.

---

# DEBATES OF THE ASSAM LEGISLATIVE ASSEMBLY

## (Budget Session)

Dated the 6 th May 1977

VOL.—XVII

**NO.-26**

CONTENTS


| | | Page |
|---|---|---|
| 1. Questions | ...... ...... | 1 |
| 2. Miscellaneous | ...... | 38 |
| 3. Statement by Miinister | .. ... | 38 |
| 4. Private Members' Resolution | ...... | 41 |
| 5. Adjournment | ...... | 55 |

STARRED

## QUESTIONS AND ANSWERS

Date : 6th May, 1977.

### Re : EXTENSION OF SHIPPIBASTI TO MULLON-GAON

Shri Chandra Bahadur Chetri asked :

*338. Will the Minister, Flood Control be pleased to state-

(a) Whether it is a fact that the Government have received public petition to extend the Sipegaon Mulung Bund by another 5Km. to protect hundreds of acres of paddy field from floods every year ?

(b) If so, what steps Government have taken so far in the matter ?

Shri Lakshya Nath Doley (Minister, Flood Control) replied :

338. (a) Yes, public petition for extension of the Chippibasti to Mullonggaon dyke has been received.

(b) The matter is under active consideration

Shri Chandra Bahadur Chetri :— Sir, the Minister, Flood Control has said in this reply that the matter is under

active consideration". I would like to ask the Minister that in the whole Digboi Constituency, this is the only area and so whether government will finalise the matter immediately and work will start soon in order to save thousands of affected families ?

Shri Lokshya Nath Doley (Minister) :— Yes, Sir, the scheme will be finalised in the month of May and the work will be taken up in the next working season, of course, subject to avilability of fund.

Shri Shanti Ranjan Dasgupta :— Sir, on a point of information - who are the quetioneers of Q. No. 346 and 347 ?

Mr. Speaker :— You ask when it comes. The questioner is Mr. Mir and Shrimati Anandi Bala Rava.

Starred question No. 339 was not put member being absent

বি ঃ বৃত্তিধাৰী শিক্ষকৰ চাকৰি স্থায়ীকৰণ

শ্ৰীমতী ভক্তলতা বৰাই সুধিছে ঃ

*৩৪০। মাননীয় শিক্ষাবিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

(ক) অসমৰ বৃত্তিধাৰী শিক্ষক সকলৰ চাকৰী স্থায়ী কৰণ কৰাৰ ব্যৱস্থা কৰিছে নেকি ?

(খ) এই বৃত্তিধাৰী শিক্ষক সকলে ৮, মাহৰ দৰমহা নোপোৱা কথাটো সচানেকি ?

(গ) যদি সচা কিয় দিয়া হোৱা নাই ?

শ্ৰীশৰৎ চন্দ্ৰ সিংহ (মুখ্যমন্ত্ৰী) য়ে উত্তৰ দিছে ।

৩৪০। (ক) তেওঁলোকৰ বেতনক্ৰম নিয়মিয়া হাৰতে অনাৰ ব্যৱস্থা কৰা হৈছে ।

(খ) তেনে কোনো অভিযোগ পোৱা নাই।

(গ) প্ৰশ্ন নুঠে।

শ্ৰীমতী তৰুলতা বৰা ঃ— তেখেতসকলক কিয় বেতন দিয়া হোৱা নাই আৰু কেতিয়াৰ পৰা দিয়া হোৱা নাই মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো।

শ্ৰীশৰৎ চন্দ্ৰ সিংহ, (মুখ্যমন্ত্ৰী) :— তেখেতসকলক বেতন যে দিয়া হোৱা নাই তেনে কোনো অভিযোগ পোৱা নাই। সেই কাৰণেই কৈছো তেনে কোনো অভিযোগ পোৱা হোৱা নাই।

শ্ৰীমতী তৰুলতা বৰা ঃ— তিনিচুকীয়া মহকুমাৰ পঞ্চল্লিশ জন বৃত্তিধাৰী শিক্ষকে বাৰে বাৰে জনাইছে যদিও আজি আঠ-ন মাহ ধৰি দৰমহা পোৱা নাই এই বিষয়ে কিবা বিবেচনা কৰি চাবনে ?

শ্ৰীশৰৎ চন্দ্ৰ সিংহ (মুখ্যমন্ত্ৰী) ঃ— তিনিচুকীয়া মহকুমাত যদি তেনেকুৱা হৈছে সেইটো অনুসন্ধান কৰি চোৱা হব।

শ্ৰীসোনেশ্বৰ বৰা :— এই বৃত্তিধাৰী শিক্ষকসকলক দৰমহা নিয়মিয়কৈ দিয়া হৈছে নেকি ?

শ্ৰীশৰৎ চন্দ্ৰ সিংহ (মুখ্যমন্ত্ৰী) ঃ— ষ্টাইপেণ্ড দি থকা হৈছে আৰু নিয়মিয়াকৈ এপ্ৰিল মাহৰ পৰা দিয়া হৈছে।

শ্ৰীসোনেশ্বৰ বৰা :— এশ বা এশ পঞ্চাশ টকা দিয়া যিটো ব্যৱস্থা বুলি কৈছে সেই মতে দি থকা হৈছে নে নাই ?

শ্ৰীশৰৎ চন্দ্ৰ সিংহ (মুখ্যমন্ত্ৰী) ঃ— হয় হৈছে।

শ্ৰীসোনেশ্বৰ বৰা :— যদি অন্যান্য মহকুমাতো পোৱা নাই, পাই থকা বুলি মন্ত্ৰী মহোদয়ে কোৱা কথাটো সত্য নহয়, গতিকে সেইটো মানি লব নে মন্ত্ৰী মহোদয়ে প্ৰত্যাহ্বান গ্ৰহণ কৰিব ?

শ্ৰীশৰৎ চন্দ্ৰ সিংহ (মুখ্যমন্ত্ৰী) ঃ— অভিযোগ পোৱা নাই বুলি কোৱা হৈছে, যদি কৰবাত পোৱা যায় তদন্ত কৰি চোৱাৰ ব্যৱস্থা কৰিম।

শ্ৰীসোনেশ্বৰ বৰা ঃ— তেখেতসকলক যি নিৰীখত দৰমহা দিব লাগিছিল সেই নিৰীখত দি থকা হৈছে, মই কৈছো তেওঁলোকে দৰমহা পোৱা নাই, পাই আছে কথাষাৰ সঁচা নহয়। দি থকা জবাবটো সংশোধন কৰিব নে প্ৰত্যাহ্বান গ্ৰহণ কৰিব ?

শ্ৰীশৰৎ চন্দ্ৰ সিংহ (মুখ্যমন্ত্ৰী) :— অভিযোগ পোৱা নাই।

শ্ৰীসোনেশ্বৰ বৰা :— অভিযোগ পালেহে দৰমহা দিয়া হয় আৰু অভিযোগ নাপালে দৰমহা নোপোৱা বুলি চৰকাৰে নাভাবেনেকি ?

শ্ৰীশৰৎ চন্দ্ৰ সিংহ (মুখ্যমন্ত্ৰী) ঃ— অভিযোগ নাপালে কেনেকৈ জানিম। তিনিচুকীয়া বা আন কৰবাত যদি অভিযোগ আছে অনুসন্ধান কৰি চাবৰ ব্যৱস্থা কৰিম।

শ্ৰীসোনেশ্বৰ বৰা :— গোলাঘাটতো পোৱা নাই। অসমৰ আটাইবিলাক মহকুমাতে পোৱা নাই। তেনে ক্ষেত্ৰত মুখ্যমন্ত্ৰীয়ে কেনেকৈ কৈছে পাই আছে বুলি ?

শ্ৰীশৰৎ চন্দ্ৰ সিংহ (মুখ্যমন্ত্ৰী) :— মই কৈছো যে অভিযোগ পোৱা নাই কাৰণেই দৰমহা পাই থকা বুলি কোৱা হৈছে।

শ্ৰীসোনেশ্বৰ বৰা :— অভিযোগ পোৱা নাই কাৰণেই দৰমহা দি থকা বা পাই থকা বুলি ভাবে নেকি ?

শ্ৰীশৰৎ চন্দ্ৰ সিংহ (মুখ্যমন্ত্ৰী) ঃ— অভিযোগ পালেই তদন্ত কৰিম।

শ্ৰীআতাউৰ ৰহমান :— এম-ই স্কুল আৰু হাইস্কুলৰ শিক্ষকসকলে ফেব্ৰুৱাৰী মাহৰ পৰা দৰমহা পোৱা নাই এইটো সঁচানে ?

শ্ৰীশৰৎ চন্দ্ৰ সিংহ (মুখ্যমন্ত্ৰী) :— যদি তেনে অভিযোগ থাকে খবৰ কৰিব লাগিব।

শ্ৰীদুলাল চন্দ্ৰ খাউণ্ড :— বৃত্তিধাৰী শিক্ষকসকলৰ ক্ষেত্ৰত কোৱা হৈছে যে তেওঁলোকে দৰমহা পোৱা নাই। মুখ্যমন্ত্ৰীয়ে অভিযোগ পোৱা নাই বুলি কৈছে।

এতিয়াও শিক্ষকসকলে যাতে সোনকালে দৰমহা পাই তাৰ কাৰণে খৰতকীয়া ব্যৱস্থা হাতত লবনে ?

শ্ৰীশৰৎ চন্দ্ৰ সিংহ (মুখ্যমন্ত্ৰী) :— কৰা হ'ব।

শ্ৰীগিয়াচুদ্দিন আহমেদ :— প্ৰশ্ন যিটো দিয়া হয় তাৰ উত্তৰ বিভাগীয় মন্ত্ৰী ডাঙৰীয়াই ব্যক্তিগত ভাবে দিব নোৱাৰে। বিভাগীয় হেওঁলৈ পঠিয়াই দিয়ে আৰু গোটেই অসমৰে খবৰ কৰি, যিহেতু প্ৰশ্নটো গোটেই অসমৰে লগত জড়িত, সেইবাবে ডি-পি-আইয়ে নিশ্চয় প্ৰত্যেক ডেপুটি ইন্সপেক্টৰলৈ লিখি পঠাইছিল এটা ডেফিনিট উত্তৰ পোৱাৰ কাৰণে। কিন্তু কোন জনে কিমান দিনৰ পৰা দৰমহা পোৱা নাই, এই ডেফিনিট উত্তৰ নোপোৱাৰ কাৰণ যিখিনি কৰ্ম্ম-চাৰীৰ গাফিলতিৰ কাৰণে হৈ নুঠিল, সঠিক উত্তৰ নাপালে সেই সংশ্লিষ্ট কৰ্ম্ম-চাৰীজনৰ ওচৰত কিবা ব্যৱস্থা লবনে ?

শ্ৰীশৰৎ চন্দ্ৰ সিংহ (মুখ্যমন্ত্ৰী) :— এইটো ব্যৱস্থা লোৱা কথা নহয়। উত্তৰতে কোৱা হৈছে যে অভিযোগ পোৱা নাই। গোটেই কথাটো খবৰ লব লাগিব। কিন্তু তেনে ক্ষেত্ৰত পলম হব কাৰণেই আমাৰ ইয়াতে থকা বেচিচত উত্তৰ দিয়া হৈছে। মহকুমা বিলাকত তদন্ত কৰিম আৰু যদি পোৱা নাই ব্যৱস্থা কৰিম।

শ্ৰীতুলাল চন্দ্ৰ খাউণ্ড :— বৃত্তিধাৰী শিক্ষকসকলক নিয়মীয়াকৰণ কৰা হ'ল নে, যদি হ'ল কেতিয়াৰ পৰা ?

শ্ৰীশৰৎ চন্দ্ৰ সিংহ (মুখ্যমন্ত্ৰী) :— ১৯৭৭ চনৰ এপ্ৰিল মাহৰ এক তাৰিখৰ পৰা।

শ্ৰীমতী তৰুলতা বৰা :— মুখ্যমন্ত্ৰী মহোদয়ে কৈছে যে বৃত্তিধাৰী শিক্ষকসকলৰ পৰা অভিযোগ পোৱাৰ পিচত দৰমহা দিয়াৰ ব্যৱস্থা কৰিব। কিন্তু চৰকাৰে তেওঁলোকক এটা চাকৰিত মকৰল কৰাৰ পিচত তেওঁলোকক নিয়মীয়াকৈ দৰ-মহা দিয়া হব লাগে বুলি নাভাবে নেকি আৰু দ্বিতীয় কথা কৈছে মাত্ৰ এশ টকা দৰমহা দিয়া হৈছে অথচ কিছুমান হাইস্কুল আৰু এম-ই স্কুলত দূৰৰ ঠাইৰ শিক্ষক মকৰল কৰা হৈছে তেনে ক্ষেত্ৰত এই সকল শিক্ষকে কি খাই জীয়াই থাকিব, হাৱা খাই জীয়াই থাকিব নেকি ?

শ্ৰীশৰৎ চন্দ্ৰ সিংহ (মুখ্যমন্ত্ৰী) :— এশ টকা দিয়াৰ বন্দবস্ত কৰা হৈছে। এতিয়া যদি কৰবাত পোৱা নাই অভিযোগৰ ওপৰত তদন্ত কৰি চাম বুলি কৈছো ।

শ্ৰীনগেন বৰুৱা :— অধ্যক্ষ মহোদয়, (খ) ত সোধা হৈছে এই বৃত্তিধাৰী শিক্ষক সকলে ৮-৯ মাহৰ দৰ্মহা নোপোৱা কথাটো সচানেকি ? প্ৰশ্নকাৰকে নেগেটিভ্‌লি সুধিছে যদিও ইয়াত এটা অভিযোগৰ কথা আছে । অন্য ঠাইৰ নহলেও প্ৰশ্নকৰ্ত্তাৰ সমষ্টিৰ শিক্ষক সকলে ৮-৯ মাহে দৰমহা নোপোৱা কথা খিনিৰ খা-খবৰ খিনি পাইছে । অন্য ঠাইৰ নহলেও প্ৰশ্নকৰ্ত্তাৰ মহকুমাৰ খা-খবৰ খিনি লৈ প্ৰত্যুত্তৰ দিয়া হলে ভাল হলহেতেন। মোৰ প্ৰশ্ন হল বিভিন্ন পৰ্য্যায়ত থকা প্ৰাইমাৰী, এম, ই স্কুলৰ, হাইস্কুলৰ শিক্ষক সকলক তেওঁলোকৰ অৰ্হতা অনুসৰি বিধি মতে দৰমহা দিয়াৰ যিটো হাৰ আছে সেই হাৰৰ দৰমহা কেতিয়াৰ পৰা দিব আৰু দিয়াৰ কাৰণে কি ব্যৱস্থা ইতিমধ্যে লৈছে ?

শ্ৰীশৰৎ চন্দ্ৰ সিংহ (মুখ্যমন্ত্ৰী) :— সেইটো কৈছো ।

শ্ৰীনগেন বৰুৱা :— গ্ৰেজুৱেট সকলে এশ-ডেৰ শ টকা পাই আছে, এই সম্পৰ্কত কি কৰিব ?

শ্ৰীশৰৎ চন্দ্ৰ সিংহ (মুখ্যমন্ত্ৰী) :— যিটো পোষ্টত নিয়োগ কৰা হৈছে সেই পোষ্ট-মতে পাব ।

শ্ৰীৰমেশ চন্দ্ৰ চহৰীয়া :— দুই বছৰে বৃত্তিধাৰী শিক্ষক সকল নিয়মীয়া নহল। আৰু তেওঁলোকে ইনচাৰ্ভিচ ট্ৰেইনিং আদিলৈ যাব নোৱাৰিলে । তেওঁলোকক কেতিয়া নিয়মীয়া কৰা হব ? প্ৰাইমাৰী স্কুলৰ শিক্ষক সকলক ইনচাৰ্ভিচ ট্ৰেইনিং দিয়াৰ ব্যৱস্থা কৰিবনে ?

শ্ৰীশৰৎ চন্দ্ৰ সিংহ (মুখ্যমন্ত্ৰী) :— এই কথাটো বিবেচনা কৰি চাব লাগিব ।

—বি : অনুসূচীত জাতি আৰু জনজাতি সম্প্ৰদায়ৰ ছাত্ৰ-ছাত্ৰী—

শ্ৰীসোনেশ্বৰ বৰাই সুধিছে :

*৩৪১। মাননীয় শিক্ষাবিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

(ক) ৰাজ্যখনত অনুসূচীত জাতি আৰু অনুসূচীত জনজাতি সম্প্ৰদায়ৰ ছাত্ৰ-

ছাত্ৰীক অন্য লোকৰ ছাত্ৰ-ছাত্ৰীৰ লগত কেতিয়াৰপৰা পৃথক হিচাবে শিক্ষা ক্ষেত্ৰত ব্যৱস্থা দিয়া হৈছে ?

(খ) ৰাজ্যখনত পোন প্ৰথমবাৰ যেতিয়া অনুসূচীত জাতি আৰু অনুসূচীত জনজাতি ঘোষণা কৰা হৈছিল ( শিক্ষা ক্ষেত্ৰত ) তেতিয়া কোন কোন জাতি সম্প্ৰদায়ৰ লোক উক্ত দুইজাতি বা শ্ৰেণীৰ অন্তৰ্ভুক্ত কৰা হৈছিল ?

শ্ৰীশৰৎ চন্দ্ৰ সিংহ ( মুখ্যমন্ত্ৰী ) য়ে উত্তৰ দিছে ।

৩৪। (ক) ১৯৫০ চনৰ সংবিধান ৰচনা আৰু বলবৎ হোৱাৰ পৰাই অনুসূচীত জাতি আৰু অনুসূচীত জনজাতিৰ ছাত্ৰ ছাত্ৰীক অন্য জাতিৰ ছাত্ৰ-ছাত্ৰীৰপৰা পৃথক হিচাপে শিক্ষা বিষয়ত সুবিধা দিয়া হৈছে ।

(খ) ৰাজ্যখনত পোন প্ৰথমবাৰ যেতিয়া অনুসূচীত জাতি আৰু অনুসূচীত জনজাতি ঘোষণা কৰা হৈছিল তেতিয়া উক্ত দুই জাতি বা শ্ৰেণীৰ অন্তৰ্ভুক্ত কৰা জাতি সম্প্ৰদায়ৰ তালিকা এখন সদনৰ মেজত ৰখা হ'ল ।

শ্ৰীসোনেশ্বৰ বৰা :— অধ্যক্ষ মহোদয়, এই জনজাতি আৰু অনুসূচীত জাতিৰ ছাত্ৰ ছাত্ৰী সকলক শিক্ষাৰ ক্ষেত্ৰত বিশেষ সুবিধা দিয়া হয় বুলি কৈছে । তেওঁলোকক কি কি সুবিধা দিয়া হৈছে ?

শ্ৰীশৰৎ চন্দ্ৰ সিংহ (মুখ্যমন্ত্ৰী) ঃ— এইটোত বিশেষকৈ বৃত্তি দিয়াৰ কথাটো আৰু ফিজ মাফ দিয়াৰ কথাটো কোৱা হৈছে ।

শ্ৰীনগেন বৰুৱা ঃ— হাইস্কুল বা উচ্চ পৰ্য্যায়ৰ শিক্ষাৰ ক্ষেত্ৰত ছাত্ৰ ছাত্ৰী সকলক ফিজ আদি মাফ দিয়া হয়;
প্ৰাইমাৰী পৰ্য্যায়ত কি ব্যৱস্থা আছে।

শ্ৰীশৰৎ চন্দ্ৰ সিংহ (মুখ্যমন্ত্ৰী) :— প্ৰাইমাৰী স্কুলত এতিয়া অলপ সুবিধা দিয়া হৈছে । প্ৰথম আৰু দ্বিতীয় শ্ৰেণীৰ কাৰণে বিনামূলিয়া কিতাপ দিয়াৰ ব্যৱস্থা আছে ।

শ্ৰীসোনেশ্বৰ বৰা :— সংবিধানত ৫ আৰু ৬ চিহুলত যি বিধি ব্যৱস্থা আছে সেই নীতি নিয়ম প্ৰয়োগ কৰা হৈছে নেকি ?

শ্ৰীশৰৎ চন্দ্ৰ সিংহ (মুখ্যমন্ত্ৰী) :— সেই ব্যৱস্থা মতে কৰা হৈছে।

শ্ৰীনগেন বৰুৱা :— কিতাপ পত্ৰ কোন চনৰ পৰা আৰু কিমান ছাত্ৰ ছাত্ৰীক এতিয়ালৈকে দিয়া হৈছে ?

শ্ৰীশৰৎ চন্দ্ৰ সিংহ (মুখ্যমন্ত্ৰী) :— কুৰিদফীয়া আচঁনি মতে এই বন্দবস্ত কৰা হৈছে চিডুল কাষ্ট, চিডুল ট্ৰাইবচ্ আৰু ছোৱালী বিলাকৰ কাৰণে।

শ্ৰীপিটসিং কোৱঁৰ :— প্ৰাইমাৰী স্কুলৰ ছাত্ৰ-ছাত্ৰী সকলক তুটা শ্ৰেণীত যি কিতাপ দিয়াৰ কথা কৈছে, সেইটো গোটেই খিনিতে দিয়া হৈছে নেকি ?

শ্ৰীশৰৎ চন্দ্ৰ সিংহ (মুখ্যমন্ত্ৰী) :— যিমান খিনি সম্ভৱ দিয়া হয়।

শ্ৰীসোনেশ্বৰ বৰা :— যিমান খিনি আবশ্যক সিমান খিনি দিয়া হয় নে নহয় ?

শ্ৰীশৰৎ চন্দ্ৰ সিংহ (মুখ্যমন্ত্ৰী) ঃ— যিমান খিনি পৰা যায়, দিয়া হয়। সেই খিনি পূৰ্ণ কৰিবলৈ হলে ভালেখিনি কথাৰ ওপৰত নিৰ্ভৰ কৰে।

শ্ৰীসোনেশ্বৰ বৰা :— সংবিধানত থকা নিৰ্দ্দেশনা কাৰ্য্যকৰী কৰা হৈছেনেকি ?

শ্ৰীশৰৎ চন্দ্ৰ সিংহ (মুখ্যমন্ত্ৰী) ঃ— সংবিধানত যি খিনি কথা আছে তাক সম্পূৰ্ণ ভাবে কাৰ্য্যকৰী কৰিব পৰা নাই। সংবিধানৰ নিৰ্দ্দেশনাৰ কাৰ্য্যকৰী কৰিবলৈ যত্ন কৰা হৈছে।

শ্ৰীতুলাল খাউণ্ড :— এই সদনত জনজাতীয় ছাত্ৰ-ছাত্ৰী সকলৰ কাৰণে আবাসিক বিদ্যালয় প্ৰতিষ্ঠা কৰাৰ কাৰণে এটা প্ৰস্তাৱ গ্ৰহণ কৰিছিল। সেই প্ৰস্তাৱটো কাৰ্য্যকৰী কৰিবৰ কাৰণে কিবা ব্যৱস্থা কৰিছেনেকি ?

শ্ৰীশৰৎ চন্দ্ৰ সিংহ (মুখ্যমন্ত্ৰী) :— সেইটো চাব লাগিব।

শ্ৰীজগদীশ দাস ঃ— মন্ত্ৰী মহোদয়ে জনাইছে যে জনজাতি আৰু অনুসূচীত জাতিৰ ছাত্ৰ ছাত্ৰীক বৃত্তি দিয়া হয় আৰু মাচুল ৰেহাই দিয়া হয়। সময় মতে মাচুল ৰেহাই দিয়া কথাটো সকলোতে হোৱা নাই। বহু ঠাইত লৰা ছোৱালীয়ে মাচুল দি পঢ়িব লগা হয়। আনকি ডিব্ৰুগড়ৰ নিচিনা ঠাইতো ফিজ মাফ দিব লাগে বুলি দিয়া চাৰ্কোলাৰ পোৱা নাই। কলেজ শেষ হোৱাৰ পিচত লৰাই বৃত্তি পায়। সময় মতে বৃত্তি পোৱাৰ কাৰণে আৰু সকলো ঠাইতে ফিজ মাফ কৰাৰ কাৰণে ব্যৱস্থা লবনে ?

শ্ৰীশৰৎ চন্দ্ৰ সিংহ (মুখ্যমন্ত্ৰী) :— ব্যৱস্থাটো চৰকাৰে কৰিছে। কৰবাত যদি

পোৱা নাই সেই কথাটোৰ ইতিমধ্যে ব্যৱস্থা কৰিব লাগিব আৰু বৃত্তি দিয়াৰ কথাটোত অসুবিধা বোৰৰ কাৰণে পলম হৈছে । খৰতকিয়া নিয়মিত ব্যৱস্থা কৰিবৰ কাৰণে বন্দবস্ত কৰা হৈছে । সেইটো ঠিক হলে সময় মতে পাব। চিডুল কাষ্ট আৰু ট্ৰাইবচ্‌ৰ লৰা ছোৱালী আৰু সাধাৰণ ছাত্ৰ ছাত্ৰী সকলেও সেই সুবিধা পাব ।

শ্ৰীঘনকান্ত বড়ো :— কুৰীদফীয়া আচনিত প্ৰাইমাৰী চেক্টৰত লৰা ছোৱালীক কিতাপ দিয়া কথাটো কৈছে। মই নিজে ট্ৰাইবেল মানুহ । আজিলৈকে কোনো লৰা ছোৱালীয়ে এখন কিতাপ পোৱা দেখা নাই । গতিকে মন্ত্ৰী মহোদয়ে এইটো ভালকৈ কবনে যে কিতাপ কেতিয়াৰ পৰা দিছে আৰু কিমান খন গাৱত দিছে ? সকলোতে দিছে নে বিশেষ কোনো গাৱত দিছে ?

শ্ৰীশৰৎ চন্দ্ৰ সিংহ (মুখ্যমন্ত্ৰী) :— প্ৰথম আৰু দ্বিতীয় শ্ৰেণীত দিয়া হৈছে। সকলো বোৰত দিব পৰা নাই । যিমান দূৰ সম্ভব দিয়া হৈছে । ক'ত কিমান কিতাপ দিয়া হৈছে ইত্যাদি বিতং বিবৰণ পিচত দিব পৰা হব।

শ্ৰীবদন তালুকদাৰ :— সংবিধানৰ নিৰ্দেশ মতে অনুসূচীত জাতি আৰু জনজাতি ছাত্ৰ ছাত্ৰী সকলক এই সুবিধা দিয়া হয় । এই ক্ষেত্ৰত কুৰি দফীয়া আচনি মতে দিয়া বুলি কৈছে আৰু সকলো ঠাইতে দিব নাই বুলি কৈছে। যি বিলাকত দিয়া হৈছে সেই বিলাক কি ভিত্তিত চিলেক্ট কৰা হৈছে ?

শ্ৰীশৰৎ চন্দ্ৰ সিংহ :— যি বিলাকৰ কিনাৰ সামৰ্থ্য নাই সেই বিলাকক আগত দিয়া হয় আৰু সামৰ্থ্য থকা সকলক পিচত দিয়া হয় ।

শ্ৰীবদন তালুকদাৰ :— সামৰ্থ্য থকা নথকাটো কেতিয়া বিবেচনা কৰা হয় ?

শ্ৰীশৰৎ চন্দ্ৰ সিংহ (মুখ্যমন্ত্ৰী) :— দিবৰ সময়ত তেনেকুৱা বিবেচনা কৰা হয়।

শ্ৰীতুলাল খাউণ্ড :— মই দেখিছো চৰকাৰৰ পৰা বৃত্তিৰ টকা বিলাক পলমকৈ পায় । কলেজ বিলাকে টকা বিলাকৰ পৰা সূত পাবৰ কাৰণে বেংকত জমা ৰাখে, এই কথাটো অনুসন্ধান কৰি চাবনে ?

শ্ৰীশৰৎ চন্দ্ৰ সিংহ (মুখ্যমন্ত্ৰী) :— কথাটো তেনেকুৱা হোৱা নাই। টকা দিয়া পদ্ধতিটো যি ধৰণে হৈ উঠিব লাগিছিল সেই ধৰণে হৈ উঠা নাই। বেংকৰ

জৰিয়তে বিশেষ অনুষ্ঠানে সূত লাভ কৰিবৰ কাৰণে টকা জমা কৰে সেই-টো নহয় ।

শ্ৰীদুলাল খাউণ্ড ঃ— ছাত্ৰ সকলৰ বৃত্তিৰ টকাটো বন্ধ কৰি সূত পাবৰ কাৰণে কলেজ ফাণ্ডত জমা কৰি থয় আৰু ৪-৫ মাহৰ পিচত দিয়ে, এই সম্বন্ধে ব্যৱস্থা লবনে ?

শ্ৰীশৰৎ চন্দ্ৰ সিংহ (মুখ্যমন্ত্ৰী) :— পোন পটিয়া ভাবে দিবৰ কাৰণে বন্দবস্ত কৰা হৈছে । সেইটো কাৰ্য্যকৰী হলে এই কথা বিলাক নহব ।

শ্ৰীগিয়াচুদ্দিন আহমদ :— সূদৰ টকাটো কলেজ ফাণ্ডত নাহে । ব্যক্তিগত পকেটলৈ সেই সূতৰ টকাটো যায়, এই খবৰ জানেনে ?

শ্ৰীশৰৎ চন্দ্ৰ সিংহ (মুখ্যমন্ত্ৰী) :— যিটো ফাণ্ডত জমা থৈছে, সেইটোতে জমা হব ।

শ্ৰীজগদীশ দাস :— যিটো ফিজ কম্পেনচেচন যিটো গ্ৰাণ্ট সেই সময়মতে নিদিয়াৰ কাৰণে যিবিলাক ছাত্ৰ ছাত্ৰীৰ অৱস্থা বেয়া মাছুল দিব নোৱাৰে এই কথা সচা নে ?

শ্ৰীশৰৎ চন্দ্ৰ সিংহ (মুখ্যমন্ত্ৰী) :— কম্পেনচেচন গ্ৰাণ্টটো দিয়াত পলম হব পাৰে কিন্তু তাৰ কাৰণে মাছুল মাফ দিয়া হয় ।

শ্ৰীৰমেশ চন্দ্ৰ চহৰীয়া :— অনুসূচিত জাতি আৰু জনজাতিৰ ছাত্ৰ ছাত্ৰী সকলক বৃত্তি দিয়াৰ বাবে অভিভাবক সকলৰ এটা আয়ৰ সীমা থাকিব লাগে বুলি এই বিধান সভাৰ এষ্টিমেট কমিটিয়ে এটা পৰামৰ্শ আগবঢ়াইছিল সেই সম্পৰ্কে চৰকাৰে কি ব্যৱস্থা লৈছে জনাব নে ?

শ্ৰীশৰৎ চন্দ্ৰ সিংহ (মুখ্যমন্ত্ৰী) :— নতুন একো সিদ্ধান্ত লোৱা নাই ।

শ্ৰীৰমেশ মোহন কুলি :— অনুসূচিত জাতি আৰু জনজাতি সকলৰ কাৰণে ক্লাচ ওৱানৰ পৰা কিতাপ পত্ৰৰো ব্যৱস্থা কৰা হৈছে । মই জানিব বিচাৰিছো এই যে আচনি প্ৰজোয্য কৰা হৈছে এতিয়ালৈকে অসমত মুঠ কিমান টকা খৰছ কৰা হৈছে ?

শ্ৰীশৰৎ চন্দ্ৰ সিংহ (মুখ্যমন্ত্ৰী) :— হিচাবটো পাচত দিব পাৰিম ।

Re : Expenditure for carrying water to State Zoo.

Shri BIREN RAM PHOOKAN asked :—

*342. Will the Minister, Forests be pleased to state :—

The expenditure incurred during the last five years for carrying water to the State Zoo by Trucks ?

(The figure may be shown yearwise).

Dr. LUTFUR RAHMAN ( Minister, Forests) replied :—

342. The expenditure incurred during the last five years for carrying water to the State Zoo by trucks are as follows :—

| Year | Amount |
|---|---|
| 1972 | Rs.33,867 20p. |
| 1973 | Rs 40,305 21p. |
| 1974 | Rs 58,863.37p. |
| 1975 | Rs.51,341.76p. |
| 1976 | Rs.52,374.96p. |

শ্ৰীবীৰেন ৰাম ফুকন :— যিটো হিচাব দিয়া হৈছে সেইটো অকল ড্ৰাইভাৰ নে অন্যান্য সকলো আছে ?

ডাঃ লুটফুৰ ৰহমান (মন্ত্ৰী) ঃ— সকলোকে ধৰি দিয়া হৈছে ।

শ্ৰীবীৰেনৰাম ফুকন ঃ— এই যে ট্ৰাকেৰে পানী অনা হয় এই পানী কৰ্ম্মচাৰী সকলৰ কাৰনে অনা হয় নে জীৱ জন্তুৰ কাৰণে অনা হয় ?

ডাঃ লুটফুৰ ৰহমান (মন্ত্ৰী) :— কম পানী অনা হয়, কৰ্ম্মচাৰী সকলেও পানীখাব লাগে গতিকে ভগাই খায় ।

শ্ৰীবীৰেনৰাম ফুকন :—মই মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিছাৰিছো যে ইমান টকা যে ট্ৰাকেৰে ছিৰিয়া খানালৈ পানী আনোতে খৰছ কৰা হয় তাৰ কাৰনে

স্থায়ী ব্যৱস্থা কৰা হোৱা নাই কিয় ? আমি জনাত চৰকাৰৰ ফালৰ পৰা টকাৰ মঞ্জুৰীও দিয়া হৈছে ।

ডাঃ লুটফুৰ ৰহমান (মন্ত্ৰী) :— মঞ্জুৰী কিছুমান দিন আগতেহে পোৱা হৈছে । চেষ্টা চলাই থকা হৈছে আৰু তাৰ কাৰণে জনস্বাস্থ্য অভিযান্ত্ৰিকক দায়িত্ব দিয়া হৈছে । তেওঁলোকে গণেশগুৰিৰ পৰা ছিৰিয়াখানালৈ পানী দিয়াৰ ব্যৱস্থা কৰিছে আৰু তাৰ কাৰণে ৬ লাখ টকা খৰচ হব ।

শ্ৰী বীৰেণ ৰাম ফুকন :— কেতিয়া হৈ উঠিব আমাক জনাবনে ?

ডাঃ লুটফুৰ ৰহমান (মন্ত্ৰী) :— জনস্বাস্থ্য বিভাগে সোনকালে আৰম্ভ কৰিব ।

শ্ৰী বীৰেণ ৰাম ফুকন :— তাত ইমান জীৱ জন্তু আছে যে তাৰ ভিতৰত কিছুমান জীৱ জন্তুৱে পানী নহলে থাকিব নোৱাৰে বিশেষকৈ খৰালীমাহত তেওঁলোকক পানী লাগে । গতিকে পানীৰ অভাৱত জীৱ জন্তু মৃত্যু মুখত পৰিছে এই কথা সচা নে ?

ডাঃ লুটফুৰ ৰহমান (মন্ত্ৰী) :— পানীৰ অভাৱত বুলি কোৱা টান কিন্তু পানীৰ কম সেইটো স্বীকাৰ কৰো আৰু তাৰ কাৰণে চেষ্টা কৰা হৈছে. প্ৰাককলনও হৈ গৈছে এই বছৰত হৈ গৈছে এই বছৰত হৈ যাব ।

শ্ৰীমৌলানা আব্দুল জলিল চৌধুরী :— অধ্যক্ষ মহোদয়. আসামের প্রত্যেক জায়গায় মাটি খনন করলে নিশ্চয় পানী পাওয়া যায় । কিন্তু এই জায়গায় মাটি খনন করে পানী পাওয়া যায় নাই নাকি ?

শ্রীলুটফুর রহমান (মন্ত্রী) :— এই জায়গায় পাণীর জন্য মাটি খনন করা হয়েছিল । পাণী পাওয়া যায় নাই বলেই বিকল্প ব্যবস্থা করা হয়েছে ।

শ্ৰী অতুল শইকীয়া :— এই যে পানী কঢ়িয়াইছে কোনোবা ঠিকাদাৰৰ দ্বাৰা কঢ়িওৱা হৈছে নে ? বিভাগৰ দ্বাৰা কৰা হৈছে আৰু যদি ঠিকাদাৰৰ দ্বাৰা কৰা হৈছে টেণ্ডাৰ কল কৰা হৈছে নে ?

ডাঃ লুটফুৰ ৰহমান (মন্ত্ৰী) :— বিভাগৰ দ্বাৰা কৰা হৈছে । বিভাগৰ ট্ৰাক বেয়া হওতে নিগমৰ পৰা এখন ট্ৰাক লৈ চলাই থকা হৈছে ।

ডাঃ কোমেশ্বৰ বৰা :— জুৰ ভিতৰত কোনো পুখুৰী বা কুৱা নাই নেকি ?

ডা: লুটফুৰ ৰহমান (মন্ত্ৰী) :— আছে কিন্তু ব্যৱহাৰৰ উপযোগী নহয় আৰু খৰালী শুকাই যায়।

ডা: কোযেশ্বৰ বৰা :— খাণ্ডিলে পানী নেপায় নেকি ?

ডা: লুটফুৰ ৰহমান (মন্ত্ৰী) :— খণ্ডাৰ চেষ্টা কৰা নাই তাত দিপ টিউবৱেলৰ চেষ্টা কৰা হৈছিল ।

শ্ৰীবদন চন্দ্ৰ তালুকদাৰ :— দিপ টিউবৱেলৰ চেষ্টা কৰোতে কিমান টকা খৰছ হ'ল ?

ডা: লুটফুৰ ৰহমান (মন্ত্ৰী) :— বহুতদিন আগতে কৰা হৈছিল হিচাবটো মোৰ হাতত নাই ।

শ্ৰীনগেন বৰুৱা :— এই যে প্ৰাককলন কৰা হৈছে বুলি কৈছে এই প্ৰাকল- কন কেতিয়া কৰা হৈছে আৰু টকা কেতিয়া পোৱা হৈছে আৰু প্ৰাকলকন কোনে কৰিছে ?

ডা: লুটফুৰ ৰহমান (মন্ত্ৰী) :— টকা পোৱা বেছি দিন হোৱা নাই চাপ্লিমেণ্টৰী ডিমাণ্ডত লোৱা হৈছে আৰু প্ৰাকলন বোধকৰো ডিচেম্বৰ মাহত কৰা হৈছে। প্ৰাকলকন জনস্বাস্থ্য বিভাগে কৰিছে ।

ডা: কোযেশ্বৰ বৰা :— প্ৰত্যেক বছৰে পানী কঢ়িওৱাত যি লাভালাভ হৈছে সেইটো কৰ্ম্মচাৰীৰ মাজত ভাগ কৰে সেই কাৰণে পানী যোগান আচনিত হেমাহী কৰিছে এই কথা সচা নে ?

ডাঃ লুটফুৰ ৰহমান (মন্ত্ৰী) :— পানী ভাগ কৰিব পাৰে কিন্তু পইছা ভাগ নকৰে।

শ্ৰীজগদীশ দাস :— কিমান পানীৰ প্ৰয়োজন মন্ত্ৰী মহোদয়ে জনাব নে ?

ডাঃ লুটফুৰ ৰহমান (মন্ত্ৰী) :— ৩০ হাজাৰ গেলন মান হব কিন্তু সিমান পোৱা নাযায়।

শ্ৰীমতী তৰুলতা বৰা :— এই পানীযোগানত হোৱা খৰছ বছৰি বাঢ়ি যাব, গতিকে. স্থায়ী ব্যৱস্থাটো কেতিয়া সম্ভৱপৰ হব জনাব নে ?

ডা: লুটফুৰ ৰহমান (মন্ত্ৰী) :— ২-১ মাহতে হৈ যাব।

## বিঃ উচ্চতৰ বহুমুখী মাধ্যমিক বিদ্যালয়

শ্ৰীলক্ষীকান্ত শইকীয়াই সুধিছে :—

* ৩৪৩। মাননীয় শিক্ষা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

(ক) অসমত মুঠ কেইখন উচ্চতৰ বহুমুখী মাধ্যমিক বিদ্যালয় আছে ?

(খ) কোন মহকুমাত কিমানখনকৈ আছে ?

(গ) নতুনকৈ আৰু কেইখন ইংৰাজী বিদ্যালয়ক উচ্চতৰ মাধ্যমিকলৈ উন্নিত কৰাৰ আৱশ্যক হব আৰু কোন মহকুমাত কিমান খনকৈ ?

(ঘ) এই বিদ্যালয় সমূহ চৰকাৰী কৰণ কৰা হব নেকি ?

শ্ৰীশৰৎ চন্দ্ৰ সিংহ (মুখ্য মন্ত্ৰী)য়ে উত্তৰ দিছে :

৩৪৩। (ক) মুঠ ৬৮ খন আছে।

(খ)

| মহকুমা | বেচৰকাৰী | চৰকাৰী |
|---|---|---|
| ১। উত্তৰ লক্ষীমপুৰ | ১ | ১ |
| ২। ডিব্ৰুগড় | ১ | ৩ |
| ৩। তিনচুকীয়া | ৩ | ০ |
| ৪। শিৱসাগৰ | ৪ | ১ |
| ৫। যোৰহাট | ০ | ২ |
| ৬। গোলাঘাট | ১ | ১ |
| ৭। নগাওঁ | ৫ | ২ |
| ৮। মৰিগাওঁ | ১ | ০ |
| ৯। গুৱাহাটী | ৪ | ২ |
| ১০। নলবাৰী | ২ | ১ |
| ১১। বৰপেটা | ৩ | ১ |
| ১২। তেজপুৰ | ৬ | ২ |
| ১৩। মঙ্গলদৈ | ১ | ১ |
| ১৪। ধুবুৰী | ২ | ২ |
| ১৫। কোকৰাঝাৰ | ১ | ১ |

| | | |
|---|---|---|
| ১৬। গোৱালপাৰা | ২ | ১ |
| ১৭। শিলচৰ | ৩ | ২ |
| ১৮। হাইলাকান্দি | ১ | ০ |
| ১৯। কৰিমগঞ্জ | ৩ | ১ |

(গ) কোনো সিদ্ধান্ত লোৱা হোৱা নাই যদিও ২০খন লোৱাৰ কথা চিন্তা কৰা হৈছে। কিন্তু স্কুলৰ সংখ্যা আৰু লোকসংখ্যা অনুসৰি ইংৰাজী বিদ্যালয়ক উচ্চতৰ মাধ্যমিকলৈ উন্নিত কৰিবলৈ চৰকাৰে গুণাগঠা কৰি আছে। কোন মহকুমাত কিমানখন লোৱা হব কোনো খটাং সিদ্ধান্ত লোৱা হোৱা নাই।

(ঘ) কোনো সিদ্ধান্ত লোৱা হোৱা নাই।

শ্ৰীলক্ষীকান্ত শইকীয়া :-- অধ্যক্ষ্য মহোদয়, মুখ্যমন্ত্ৰী ডাঙৰীয়াই জনাইছে যে এই বছৰ ২০ খন উচ্ছতৰ বহুমুখী মাধ্যমিক বিদ্যালয় স্থাপন কৰা হব। এই কেইখন বিদ্যালয় স্থাপন কৰোতে কি ভিৰ্ত্তিত নিৰ্ণয় কৰা হব ? কাৰণ মুখ্যমন্ত্ৰীয়ে দিয়া তালিকা খনৰ পৰা দেখা গৈছে যে কিছুমান মহকুমাত এই স্কুল একেবাৰে কম আৰু কিছুমান মহকুমাত বেছি আছে। মোৰ আন এটা প্ৰশ্ন হৈছে যে মহাবিদ্যালয় স্থাপনৰ ক্ষেত্ৰত তেনেকুৱা দেখা গৈছে যে কিছুমান মহকুমাত মহাবিদ্যালয় বেছি আৰু কিছুমান মহকুমাত নিচেই কম। গতিকে এই কথাতো লক্ষ্য ৰাখি চৰকাৰে কি ভিত্তিত এই স্কুল বিলাক স্থাপনৰ কাৰণে ঠিক কৰিছে জনাব নে ?

শ্ৰীশৰত চন্দ্ৰ সিংহ (মুখ্যমন্ত্ৰী) :-- যি বিলাক অঞ্চলত প্ৰাক বিশ্ববিদ্যালয় শ্ৰেণীত পঢ়াৰ সুবিধা নাই সেই বিলাক অঞ্চলতহে বিশেষকৈ এই স্কুল বিলাক স্থাপনৰ ব্যৱস্থা কৰা হব। মাননীয় সদাসই যিটো ইংগিত দিছে তেনে ধৰণেই যিবিলাক ঠাইত এই অনুষ্ঠান বিলাক নাই আৰু যাতে এই বৈষম্য বিলাক নাইকিয়া কাৰ এটা সমন্বয় ৰক্ষা কৰা যায় তেনে ব্যৱস্থাই কৰা হব। অৰ্থাত যিবিলাক ঠাইত এনেবিলাক অনুষ্ঠান নাই সেইবিলাক ঠাইত গুৰুত্ব দিয়া হব।

শ্ৰীতুলাল চন্দ্ৰ থাউণ্ড ঃ--- অধ্যক্ষ্য মহোদয়, চৰকাৰে এই বছৰ ২০ খন হাইস্কুল উচ্ছতৰ বহুমুখী মাধ্যমিক স্কুললৈ ৰূপান্তৰিত কৰাৰ সিদ্ধান্ত কৰিছে।

মই মুখ্যমন্ত্ৰীৰ পৰা জানিব বিচাৰিছো যে অসমত এই ব্যৱস্থাটো সম্পুৰ্ন কৰিবৰ কাৰণে, প্ৰত্যেকখন হাইস্কুলকে উচ্চতৰ বহুমুখী বিদ্যালয়লৈ পৰিবৰ্তন কৰিবৰ কাৰনে কিমান বছৰ লাগিব ?

শ্ৰীশৰত চন্দ্ৰ সিংহ (মুখ্যমন্ত্ৰী) ঃ— অৱশ্যে ঐকিক নিয়মে অংক কৰিলে বহুত বছৰেই লাগিব। যিয়েই হওক নতুন ব্যৱস্থাত এইটো কাৰ্য্যকৰী কৰিবলৈ হলে কেই বছৰত কৰিব পৰা হব সেইটোও চাই থকা হৈছে। ইয়াৰ ইয়াৰ উপৰিও প্ৰধানকৈ এইটো বিত্ত সংগ্ৰহৰ ওপৰত নিভ্ৰ কৰিব।

শ্ৰীদুলাল চন্দ্ৰ খাউণ্ড :- যিটো ঐকিক নিয়মে অংক কৰি বাহিৰ কৰাৰ কথা কৈছে তেনে প্ৰশ্ন মই কৰা নাই। কথাটো হৈছে অসমত বৰ্তমান চলি থকা ব্যৱস্থাত ঘাটি-মঞ্জুৰী, সাহায্য পোৱা স্কুল সমুহত এই ছাত্ৰ ছাত্ৰী সকলে পঢ়ি আছে সেই সকলক উচ্চ মাধ্যমিক স্কুলৰ জৰিয়তে ১০+২, যিটো ব্যৱস্থা লৈছে সেই পৰিকল্পনাটো কেই বছৰত সম্পুৰ্ন ৰূপে হব ?

শ্ৰীশৰত চন্দ্ৰ সিংহ (মুখ্যমন্ত্ৰী) ঃ— এই পৰিকল্পনা কাৰ্য্যকৰী কৰাত আমি সম্পূৰ্ন ৰূপে এতিয়ালৈ সমৰ্থবান হব পৰা নাই। এই বিষয়ে পৰীক্ষা নিৰিক্ষা কৰি থকা হৈছে আৰু কোনো ঠাইত হাইস্কুলত কিমান ছাত্ৰ-ছাত্ৰী তাৰ ৰিপোৰ্ট প্ৰকাশ কৰা হৈছে। গতিকে এই সকলোবিলাক তথ্যৰ ওপৰত এটা চুড়ান্ত সিদ্ধান্ত লবলৈ সময় লাগিব।

শ্ৰীগুনেন্দ্ৰ পণ্ডিত ঃ— বৰ্তমানৰ ব্যৱস্থাটো ১৯৭০ চনৰ পৰাই কৰিবলৈ ভৱা হৈছে। কিন্তু আজিলৈকে অসমৰ এটি চুকত পৰি থকা ধেমাজী মহকুমাত এখনো উচ্চ মাধ্যমীক স্কুল পতা হোৱা নাই। ইয়াৰ কাৰণ কি ? এই কথাটো চৰকাৰে ভালকৈ পৰিক্ষা কৰিব নে ? আৰু যি ২০ খন উচ্চ মাধ্যমিক বিদ্যালয় পতাৰ সিদ্ধান্ত কৰিছে তাত অন্ততঃ এখন এই দুৰবৰ্ত্তী মহকুমা ধেমজীত প্ৰতিষ্ঠা কৰাৰ ব্যৱস্থা কৰিব নে ?

শ্ৰীশৰত চন্দ্ৰ সিংহ (মুখ্যমন্ত্ৰী) ঃ— এই সকলো বিলাক পৰীক্ষা কৰি চাব লাগিব। আৰু সেই হিচাবে ধেমাজীত যিটো দৰকাৰ হয় সেই মতে ব্যৱস্থা কৰিব লাগিব।

শ্ৰীবদন চন্দ্ৰ তালুকদাৰ ঃ— মুখ্যমন্ত্ৰী মহোদয়ে কৈছে যে চলিত বছৰত

যি ২০ খন উচ্ছমাধ্যমিক বহুমুখি বিদ্যালয় স্থাপন কৰা হব এই সম্পৰ্কে কোনো সিদ্ধান্ত কৰা হোৱা নাই। এই মৰ্মে যেৱা বছৰৰ মাজ ভাগত যি লোক কমিটি কৰি দিছিল সেই কমিটিয়ে মহকুমা ভিত্তিত যি কোটা বান্ধি দিছিল তাত মহকুমা প্ৰতি কিমান মাধ্যমিক বিদ্যালয় কৰিব লাগে। সেই মতেই হব নে বৰ্তমান চৰকাৰৰ ঘোষিত নীতি মতেই কৰা হব ? এই দুটাৰ মাজত যেন কিছু বেমেজালী দেখা গৈছে।

শ্ৰীশৰত চন্দ্ৰ সিংহ (মুখ্যমন্ত্ৰী):— যি মৰ্মে লোক কমিটি কৰি দিয়া হৈছিল তেওঁলোকে সেইঁ মৰ্মে অনুমোদন কৰিছিল।

শ্ৰীবদন চন্দ্ৰ তালুকদাৰ ঃ— যদি অনুমোদন কৰিছিল তেতিয়াহলে সেইটো এতিয়াও বাহাল আছে নে নাই ? নে নতুন নীতি প্ৰবৰ্ত্তন কৰিব ?

শ্ৰীশৰত চন্দ্ৰ সিংহ (মুখ্যমন্ত্ৰী) ঃ— লোক কমিটিৰ অনুমোদনৰ সাপেক্ষে চৰকাৰেই সিদ্ধান্ত গ্ৰহন কৰিব।

শ্ৰীবদন চন্দ্ৰ তালুকদাৰ :— মই অন্য মহকুমাৰ কথা নাজানো। নলবাৰী মহকুমাত এই লোক কমিটিয়ে দুখন উচ্ছতৰ মাধ্যমিক স্কুলৰ কাৰণে অনুমোদন কৰিছিল। কিন্তু এতিয়া মুখ্যমন্ত্ৰীয়ে কৈছে যে কোনো সিদ্ধান্ত লোৱা নাই গতিকে কোনটো সচা ?

শ্ৰীশৰত চন্দ্ৰ সিংহ (মুখ্যমন্ত্ৰী) :— দুয়োটাই সচা। তেওঁলোকে দুখন লব লাগে বুলি অনুমোদন কৰিছে আৰু সেইটো বৰ্তমানে বিবেচনা কৰি আছে।

Shri Shanti Rajan Das gupta :— Whether these Schools have been included in the list of Sarkari Schools.

শ্ৰীশৰত চন্দ্ৰ সিংহ (মুখ্যমন্ত্ৰী) :— গোটেই কথাটো বিবেচনা কৰা হব।

শ্ৰীপ্ৰেমধৰ বৰা :— লোক কমিটি বিলাকে দিয়া প্ৰস্তাৱ সমুহেই অগ্ৰাধিকাৰ দিয়া হব নে শিক্ষাৰ ক্ষেত্ৰত অনগ্ৰসৰ অঞ্চল বিলাকত বিশেষ গুৰুত্ব দিয়া হব ?

শ্ৰীশৰত চন্দ্ৰ সিংহ (মুখ্যমন্ত্ৰী) :— শিক্ষাৰ ক্ষেত্ৰত অনগ্ৰসৰতা অঞ্চলৰ ওপৰতেই বিশেষ গুৰুত্ব দিয়া হব।

শ্ৰী ৰমেশ চন্দ্ৰ চহৰীয়া ঃ— মুখ্যমন্ত্ৰী মহোদয়ে উচ্ছতৰ স্কুল লোৱাৰ সম্প্ৰকে

নীতি ব্যাখ্যা কৰোতে কৈছে যে প্ৰাকবিশ্ববিদ্যালয় ইতিমধ্যে যিবিলাক ঠাইত আছে সেইবিলাক ঠাইৰ বিষয়ে বিবেচনা কৰা নহব। কিন্তু যিবিলাক ঠাইত প্ৰাকবিশ্ববিদ্যালয় আছে আৰু তাত 'আৰ্ট' হে আছে ছাত্ৰ ছাত্ৰীয়ে বিজ্ঞান পঢ়াৰ কোনো সুবিধা নাই, সেইবিলাক ঠাইত যদি কোনো সুবিধাৰ কথাই বিবেচনা কৰা নহয় তেতিয়াহলে সেই ছাত্ৰ-ছাত্ৰী সকলে বিজ্ঞান পঢ়াৰ সুবিধা কোনো দিনেই নাপাবই নেকি ?

শ্ৰীশৰত চন্দ্ৰ সিংহ (মুখ্যমন্ত্ৰী) :— তেওঁলোকে বিজ্ঞান পঢ়াৰ সুবিধা পাব লাগে তেনে কুৱা ঠাইত সেইঅসুবিধা বিলাক যাতে নোহোৱা হয় তাৰ ব্যৱস্থাও কৰা হব।

শ্ৰীনগেন্দ্ৰ বৰুৱা :— মুখ্যমন্ত্ৰীয়ে কৈছে যে ২০ খন স্কুল লোৱা হব। কিন্তু আমাৰ অসমত ২০ খনতকৈ বেছি মহকুমা আছে। মাননীয় সদস্য তালুকদাৰ ডাঙৰীয়াই কোৱাৰ দৰে লোক কমিটিয়ে প্ৰত্যেক মহকুমাত ২ খনকৈ উচ্চতৰ মাধ্যমিক স্কুল অনুমোদন কৰিছে এই কথাটো সচানেকি ? তেনে হলে বৰ্তমান চৰকাৰে যি সিদ্ধান্ত লৈছে সেই সিদ্ধান্ত মতে লোক কমিটিৰ সিদ্ধান্তটো বাতিল হব নেকি ?

শ্ৰীশৰৎ চন্দ্ৰ সিংহ (মুখ্যমন্ত্ৰী) :— লোক কমিটিয়ে অনুমোদন দিছে। চৰকাৰে সেই অনুমোদন অনুসাৰে সকলো খুটিনাটি বিবেচনা কৰি এটা সিদ্ধান্তত উপনিত হব।

শ্ৰীঅতুল শইকীয়া :— ১০+২ ত এই ব্যৱস্থাৰ দ্বাৰা শিক্ষাৰ মানদণ্ড উন্নত কৰিব বিচাৰিছে যদি এই পদ্ধতিতোকে কাৰ্য্যকৰী কৰিব লগা হয় তেতিয়াহলে সকলো ঠাইতে উচ্চতৰ মাধ্যমিক বিদ্যালয় প্ৰতিষ্ঠা কৰিব নালাগিবনে ?

শ্ৰীশৰৎ চন্দ্ৰ সিংহ (মুখ্যমন্ত্ৰী) :— এই একে প্ৰশ্নকে মাননীয় খাউণ্ড ডাঙৰীয়াইও কৰিছে। ইয়াৰ ব্যৱস্থাটোও কৰিব লাগিব। যদি তেনে ব্যৱস্থাৰে কৰা হয় তেন্তে সকলো ৰকমে সমীক্ষা কৰি তাৰ যথাযথ ব্যৱস্থা কৰিব লাগিব।

শ্ৰীপিটচিং কোঁৱৰ ঃ— যি ২০ খন বহুমুখী উচ্চতৰ মাধ্যমিক স্কুল কৰাৰ কথা আছে সেই কেইখন চৰকাৰী পৰ্য্যায়ত হব নে বে-চৰকাৰী পৰ্য্যায়ত হব ?

শ্ৰীশৰৎ চন্দ্ৰ সিংহ (মুখ্যমন্ত্ৰী) :— যিবিলাক ঠাইত ইতিমধ্যে বে-চৰকাৰী স্কুলেই

আছে সেইবিলাক চৰকাৰী কৰাৰ কথা নাই। অৱশ্যে কোনো ঠাইত যদি নতুনকৈ উচ্চতৰ মাধ্যমিক স্কুল কৰিবলগীয়া হয় তেন্তে সেইবিলাক চৰকাৰী পৰ্য্যায়তে কৰিবলগীয়া হব পাৰে।

শ্ৰীপিটিচিং কোন্বঁৰ :— এই বছৰ ২০ টা বহুমুখি বিদ্যালয় চৰকাৰে লোৱা কথা কৈছে সেইবিলাক চৰকাৰী পৰ্যায়ৰ নে বে-চৰকাৰী পৰ্য্যায়ৰ ? আৰু যিবিলাকত চৰকাৰী স্কুল নাই সেইবিলাকত পোন পতীয়াভাবে চৰকাৰে লৈ বহুমুখী কৰাৰ চিন্তা কৰিবনে ?

শ্ৰীশৰত চন্দ্ৰ সিংহ (মুখ্যমন্ত্ৰী) :— বে-চৰকাৰী পৰ্য্যায়ৰ স্কুল সমূহক বহুমুখী কৰাৰ কথা চৰকাৰৰ নাই। চৰকাৰৰ কথা হল উচ্চমাধ্যমিক নামাকৰণ কৰাৰ পাছতহে সেইটো কৰা হব।

শ্ৰীজলালউদ্দিন আহমদ :-- অধ্যক্ষ মহোদয়, বৰপেটা মহকুমাত ৮ টা সমষ্টি আছে প্ৰতেকটো সমষ্টিতে কলেজ আছে, কিন্তু এটা সমষ্টীত নাই, সেইটো হল বাঘবৰ সমষ্টি। ইয়াত দুটা উচ্চতৰ বিদ্যালয় চৰকাৰে দিয়া কথা আছিল আৰু অনুষ্ঠানটো ক'ত পাতিব সেই বিষয়ে লোক সমিতিৰ ওপৰত দায়িত্ব দিছিল, লোক সমিতিয়ে এনেকুৱা ঠাই নিৰ্ব্বাচন কৰিলে য'ত ১০ টা হাইস্কুল আছে তাত দিয়া নাই। তাত দুটা দল হৈছে আৰু যি ঠাইত ভোত বেছি তালৈ নিছে। গতিকে অধ্যক্ষ মহোদয় আপোনাৰ জৰিয়তে মন্ত্ৰী মহোদয়ক অনুৰোধে কৰিছো যে যি ঠাইত দিব লাগে সেই ঠাইত নিদিয়াৰ কাৰণ কি ?

শ্ৰীশৰৎ চন্দ্ৰ সিংহ (মুখ্যমন্ত্ৰী) :— ছাৰ, মই আগতেই উত্তৰ দিছো যে, গোটেই-বিলাক কথা বিবেচনা কৰা হব।

শ্ৰীজগদ্দীশ দাস :— অধ্যক্ষ মহোদয়, এই ২০ খনৰ ভিতৰত ১০ খন এতিয়া লব আৰু বাকী ১০ খন পিচত লব, এইটো সচানে ?

শ্ৰীশৰত চন্দ্ৰ সিংহ (মুখ্যমন্ত্ৰী) :— ১০ খন একেলগে কৰা হব।

শ্ৰীমৌলানা আব্দুল জলিল চৌধুরী :— অধ্যক্ষ মহোদয়, একটা কলেজ স্থাপন করতে হলে কতগুলি হাইস্কুল এবং হাইয়ার সেকেণ্ডারী স্কুলের প্রয়োজন ? এই ভাবে আমাদের শিক্ষাবিভাগ কলেজ স্থাপন করার জন্য কোন পরিকল্পনা করে সেন্সর করেছেন কি ?

শ্রীশরত চন্দ্র সিংহ (মুখ্যমন্ত্রী) :— অধ্যক্ষ্য মহোদয়, এই কার্য্য সম্পাদন করার জন্য একটা কমিটি গঠন করা হয়েছে। এই কমিটি সমস্ত কথা বিবেচনা করে কলেজস্থাপনের যে পরামর্শ দিবেন তা পর্যালোচনা করেই এটা কার্য্যকরী করা হবে।

### Re : Record of tenants

Shri DEBENDRA NATH BORA asked :

*344. Will the Minister, Revenue be pleased to state :—

(a) How many tenants have been recorded till December, 1976 in the State since the enforcement of the relevant Act ?

(b) How many of them have been given possessions of land under summary procedure ?

(c) How many tenants have been evicted by the land lords and what protection has been given to the tenants ?

Shri CHATRASING TERON (Minister, Revenue) replied :

344. (a) 3, 10, 966.

(b) and (c) Uptil now 3, 933 cases have been instituted alleging unauthorised eviction. So far 1,774 cases have been decided in favour of the tenants and out of the above cases possession has been restored to tenants in in 1253 cases by the Assistant Settlement Officer concerned and in the remaining cases the landlords have been directed to restore back the possession under Section 54A of the Assam (Temporarily Settled Areas) Tenancy Act.

Shri Premodhar Bora :— What is the total number of cases insitituec ?

Shri Chatrasing Teron (Minister) :— Total number of cases instituted is 3,933 and out of that 1, 774 cases have been settled in favour of tenants and the possession given by the A. S. O. to the tenants numbeing 1253.

শ্ৰীদেবেন বৰা ঃ— অধ্যক্ষ মহোদয়, মন্ত্ৰী মহোদয়ে প্ৰশ্নোত্তৰ 'এ'ত কৈছে যে ৩ লাখ ১০ হেজাৰ ৫শ ৩৮ জন (৩,১০,৫৩৮ জন) টিনাণ্ট ৰেকড কৰা হৈছে। তাৰভিতৰত দেখা যায় ১,২৫৩ জন ৰায়তে পজেচন পাইছে এইটো এটা বিৰাট ব্যৱধান হৈছে। গতিকে যিসকল টিনাণ্টক ঠিকমতে দখলী নিদিয়াত আৰ্থিক দুৰাৱস্থাত পৰি সহায় বিছাৰি এটা সন্ত্ৰাসৰ সৃষ্টি হৈছে সেই সকলৰ বিষয়ে চৰকাৰে কি সক্ৰীয় ব্যৱস্থা গ্ৰহন কৰিছে জনাব নে ?

শ্ৰীচত্ৰচিং টেৰণ (মন্ত্ৰী) ঃ— অধ্যক্ষ মহোদয়, মাননীয় সদস্যৰ প্ৰশ্নটো অলপ বুজিবলৈ টান পাইছো। যিয়েই নহওক আইনমতে এজন ৰায়তক নথিভুক্ত কৰা হয় তেওঁৰ দখলী ঠিকেই থকাৰ কাৰণে। ইয়াত ৩,১০,৫৩৮ জন ৰায়তক নথিভূক্ত কৰা হৈছে - তেওঁলোকৰ দখলী ঠিকেই থকাত। কিন্তু এই স্বাত্বও যদি মাটিৰ মালিকে তেওঁলোকক উচ্ছেদ কৰিবলৈ ধৰে বা বিৰুধিতা কৰে, তেতিয়াহলে তাৰ বিৰুদ্ধে আইন সঙ্গত ব্যৱস্থা আছে। সেইকাৰনে এতিয়ালৈকে ৩ ১৩৩ টা কেচ বলপূৰ্ব্বক উচ্ছেদ কৰা বুল ৰায়তসকলে মাটিৰ মালিকৰ বিৰুদ্ধে কেচ দিছে।

শ্ৰীদেবেন বৰা :— মন্ত্ৰী মহোদয়ে কেচ কৰাৰ কথা কৈছে। সেইকাৰণে মই কৈছো যে যিসকল প্ৰজাই কেচ কৰিছে তেওঁলোক আজি দখলীস্বত্ব পালেও তেওঁলোকৰ বহুতৰে দুবহ অৱস্থা। সেইকাৰণে চৰকাৰৰ ফালৰ পৰা এই অৱস্থাৰ প্ৰটেকচন দিয়াৰ কাৰণে আৰু প্ৰজা সাধাৰণৰ মাজত যিটো সন্ত্ৰাসৰ সৃষ্টি হৈছে সেই বিষয়ে স্পষ্টভাবে জানিব বিচাৰিছো যে চৰকাৰে নথিভুক্ত কৰিছে সচাঁ কিন্তু সমস্যা সমাধান নহল। সেইকাৰণে কি আৰ্থিকভাবে চৰকাৰে ব্যৱস্থা লব পাৰে বা কি কি ব্যৱস্থা হাতত লৈছে জনালে ভাল হয়।

শ্ৰীচত্ৰচিং টেৰণ :— (মঃ) :— আমাৰ কথা স্পষ্ট-যদি ৰায়তসকলক মাটিৰ মালিকে

উচ্ছেদ কৰিবলৈ চেষ্টা কৰে বা উচ্ছেদ কৰে তেতিয়াহলে ইয়াৰ বিৰুদ্ধে আইন সঙ্গত বিধি ব্যৱস্থা আছে। কিন্তু যিসকল ৰায়তক মাটিৰ মালিকে উচ্ছেদ কৰে ৰায়তসকলে নিজৰ ফালৰ পৰা আপত্তি দৰ্শাব লাগিব।

শ্ৰীকেহোৰাম হাজৰিকা :— এই কথাটো এই সদনত বহুবাৰ আলোচনা হৈছে। বলপূৰ্ব্বক উচ্ছেদ কৰা, চক্ৰান্তৰে উচ্ছেদ কৰাৰ বাহিৰেও মাটিৰ মালিক সকলক দলিল দিয়া আদি বহু ঠাইত বহুতো খেতিয়কক আইনগতভাবেই উচ্ছেদ কৰি আছে। গতিকে আইনৰ যিটো সংঘাট সেইটো পুনৰ বিবেচনা কৰি বন্ধ কৰিব পাৰে চৰকাৰে। লগতে আলোচনা হৈছিল যে সেইমতে মন্ত্ৰীয়ে সকলো খেতিয়কক আশ্বাস দিছিল যে-সেই মাটিৰ পৰা কোনেও খেতিয়কক উচ্ছেদ কৰিব নোৱাৰে। কিন্তু মাটিৰ মালিক সকলে দেৱানী আদালতত গৈ চৰকাৰী আইন ওলটপালট কৰিছে। সেইকাৰণে মই জানিব বিচাৰিছো যে-ইয়াত চৰকাৰী আইনৰ কিবা সংশোধনী আছে নেকি বা এই বিষয়ে চৰকাৰে কি ব্যৱস্থা কৰে জনাবনে ?

শ্ৰীচত্ৰচিং টেৰণ :— এইটো কথা সচাঁ যে চৰকাৰৰ যি আইন আছে তাৰ পৰা বিৰতি পাবলৈ মাটিৰ মালিক সকলে দেৱানী আদালতত চেষ্টা কৰিছে। কিন্তু এই সম্পৰ্কত যাতে দেৱানী আদালতলৈ যাব নোৱাৰে-তেনেকুৱা কথা আলোচনা কৰি আছে আৰু এইটো কৰিব লাগে, ইয়াৰ শেষ সিদ্ধান্তত এতিয়াও উপনিত হব পৰা নাই, এই সম্বন্ধে এতিয়াও পৰীক্ষা হৈ আছে।

Shri Giasuddin Ahmed— Sir, in reply to question (a) the Minister has stated that 3, 10, 966 tenants have been recorded. May I know the Subdivision-wise break up and particularly that of Dhubri Subdivision ?

Shri Chatrasing Teron (Minister) — Yesterday, I replied a similar question and there I had given Subdivision wise break up. As regards Dhubri I said yesterday that because preparations of records of right are yet to be completed which has recently been started, therefore, no number from Dhubri is available.

Shri Dulal Chandra Barua— As per law, the tenants are to be protected fully by the Govt. Whether it is a fact that despite representations made to the Govt. on several occasions by several such tenants no protection has so far been given to them by the Govt. ?

Shri Chatrasing Teron (Minister) — Sir, whatever petitions are submitted either to the Department or the Minister, they are immediately sent to the concerning officers who are required to look after such cases.

Shri Dulal Chandra Barua— Sir, I have got several instances where the Revenue Depertment failed to give protection to the tenants from the tyrany of landlords. There are some cases where the Minister in-charge of Revenue was approached, but they were rejected by the Minister. And, finally finding no other alternative. they approached the Chief Minister. But the Chief Minister also failed to give protection to those tenants.

Shri Chatrasing Teron (Minister) — Sir, the point is that a prima facie case is required to be established. But if he cannot substantiate his claim, the applicant cannot get any protection from the Govt.

Shri Dulal Chandra Barua :— Sir, I have got a case where the tenant was asking potection from the Government. The case is concerned with Sonapur Tea Estate. The gentleman has ap roached the Government in various forms but his grievances were not redressed till now as a result of which he was evicted by the landlors from

that particular place.

Shri Chatrasing Teron (Minister, ) :— Sir, I shall look into it.

Shri Dulal Ch. Khound :— Sir, yesterday also I have raised that in view of the fact that large number of tenants have left out without being recorded and also in view of the fact that the Revenue Officers are refusing to record the tenants, even the old tenants on the excuse that they have become time-barred whether Government will issue any circular to the Settlement Officers and Assistant Settlement Officers to record those tenants on the basis of their application after proper enquiry ?

Shri Chatraing Teron, (Minister) :— Sir, yesterday I have made it clear that there is clear provision in the Act that if a tenant occupy the particular land continuously for three years then he is to be recorded as tenant on that particular land. Sir, even before the commencement of this Act this substantive provision continued to apply. If some tenants have been left out their cases can be considered. Sir, if some tenants have been left out by the Assistant Settlement Officers or Revenue Officers in the Sub-divisional level on the ground that they are time barred then definitely I will issue a circular.

শ্ৰী জগদীশ চন্দ্ৰ দাস :— মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মন্ত্ৰী মহোদয়ে দিয়া প্ৰশ্নোত্তৰৰ সন্দৰ্ভত মই অসম চৰকাৰৰ " যোজনাৰ সফলতাৰ অধ্যয়ন" নামৰ পুষ্টিকাখনত লিপিবদ্ধ কথাখিনিৰ কিয়দাংশৰ উদ্ধৃত দিব খুজিছোঁ, 'এই পৰ্যন্ত ২০,২৭৮ খন গাওঁ এই আচনিত সামৰি লোৱা হৈছে আৰু ১৯৭৬ চনৰ ৩০ জুন পৰ্যন্ত ৩,৫০,৫৮২ জন ৰায়তক পঞ্জীভুক্ত কৰা হৈছে।

যদি এইটোৱেই সচাঁ হয় তেতিয়াহলে, বাকী জুনৰ পৰা ডিচেম্বৰলৈ আৰু কম হব । এই কাম কেনেকৈ হবলৈ পালে ? ৰায়তৰ হিচাব কমি গৈছে নেকি ?

শ্ৰী ছত্ৰসিং টেৰণ (মন্ত্ৰী) :— কথাটো একেবাৰে সহজ । চিলিংৰ অধিগৃহীত মাটি বিলাক পিছত ৰায়তক দিয়াৰ ফলত সেই সকলেই মাটিৰ মালিক হৈ গ'ল আৰু ফলত তেওঁলোক ৰায়ত হৈ নেথাকিল । সেই কাৰণেই ৰায়ত হৈ নেথাকিল । সেইকাৰণেই ৰায়তৰ সংখ্যা কমি গৈছে ।

Shri Premadhar Bora :— Sir, considering the gravity of the situation and the untold sufferings of these poor peasents, will the Government create a separate cell for spaedy disposal of the cases so as to mitigate the sufferings of the poor peasents ?

Shri Chatrasing Teron, (Minister) :— Sir, so far as the Secretariat is concerned, we have a separate cell called Revenue Reforms and at the same time we have also a Directorate of Land Records.

শ্ৰী কেহোৰাম হাজৰীকা:—মাননীয় অধ্যক্ষ মহোদয়, বিশেষকৈ লোকসভাৰ নিৰ্ব্বাচন হৈ যোৱাৰ পিছত আৰু জৰুৰীকালীন অৱস্থাও উঠি যোৱাৰ পিছত এ, এছ, অ সকলৰ দ্বাৰা ৰায়ত সকলৰ কেছ বিলাক ৰেকৰ্ড কৰিবলৈ অমান্তি হৈছে । মহাজন সকলৰ ফালৰ পৰাও প্ৰচাৰ হৈছে যে, কেন্দ্ৰত যিহেতু এতিয়া নতুন চৰকাৰ হল গতিকে এই আইনো এতিয়া আৰু নচলে আৰু আগৰ সেই চৰকাৰো নাই । এইদৰে প্ৰচাৰকৰি ৰায়তৰ মাজত সন্ত্ৰাসৰ সৃষ্টি কৰিছে । এই সম্পৰ্কে সামগ্ৰিকভাৱে এটা বিবৃতি দিয়াৰ ব্যৱস্থা কৰিবনে ?

শ্ৰী ছত্ৰসিং টেৰণ (মন্ত্ৰী) :— এই বিধান সভাই পাছকৰা আইন অনুক্ৰমে অসম চৰকাৰে হাতত লবলগীয়া কামখিনিহে লোৱা হৈছে । ভূমিসংস্কাৰৰ আইনখনো এই সভাৰেই । সেইকাৰণেই কেন্দ্ৰত আজি যি চৰকাৰেই নহওঁক লাগিলে, আমাৰ গৃহীত নীতি অনুক্ৰমে আমি কাম কৰি যাম । মাননীয় সদস্যই এই সম্পৰ্কে যিটো কথা কৈছে সেইটো আমি আমাৰ ৰাজহ বিভাগৰ বিষয়া সকললৈ জনাই দিবৰ কাৰণে ব্যৱস্থা কৰি আছোঁ ।

Starred question No. 345 was not put member being absent.

Re : APPLICATIONS FOR GRAM SEVAK TRAINING.

Shri Abdul Hussain Mir asked :

*346. Will the Minister, Agriculture be pleased to state :—

(a) Whether it is a fact that Agricultural, Sub-divisional Officer, Nowgong invited applications for training of Gram Sevak ?

(b) If so, whether it is a fact that the applications having educational qualification above Matriculation were rejected straight way ?

(c) If so, why ?

(d) The total number of applications and the total number rejected ?

Shri Md. Umaruddin (Minister, Agriculture) replied :

346. (a) Sub-divisional Agricultural Officer, Nowgong did not invite application for selecting candidates for training as Gram Sevak. Director Agriculture had invited application for undergoing training at Gram Sevak Training Centres at Kahikuchi and Arunachal and application forms were made availble with District Agricultural Officer, Nowgong.

(b) No.

(c) Does not arise.

(d) 1632 applications were received and no application

was rejected on the ground mentioned in (b) of the question.

শ্ৰীআব্দুল হোছেইন মিৰ :— মাননীয় অধ্যক্ষ মহোদয়, মেট্ৰিকৰ ওপৰৰ বিলাকক ডিছকুৱালিফাই কৰি মেট্ৰিক পৰ্য্যন্ত ইণ্টাৰভিউ ললে আৰু ইণ্টাৰভিউ লোৱাৰ পিছতো নগাৱঁৰ কেণ্ডিডেটক নিদি গোৱালপাৰাৰ পৰা কিয় নিয়োগ দিলে জনাবনে কি ?

শ্ৰীছত্ৰসিং টেৰণ (মন্ত্ৰী) ঃ—কথাটো হ'ল এনেকুৱা, আমাৰ এই 'ওৱৰ্ল্ড বেংকৰ প্ৰোজেক্ট' সম্বন্ধীয় তাত যিবিলাক বিভিন্ন কৃষি উন্নয়নমূলক আৰ্চনি লোৱা হৈছে তাত এই বিলাক আৰ্চনি লোৱা হৈছে ।

শ্ৰীদুলাল চন্দ্ৰ বৰুৱা :— অধ্যক্ষ মহোদয়, তেখেতে কৃষি মন্ত্ৰীৰ অনুপস্থিত এই প্ৰশ্নৰ উত্তৰ দিবলৈ আপোনাৰ পৰা অনুমতি লৈছে নে নাই ?

মাননীয় অধ্যক্ষ :— লৈছে ।

শ্ৰীছত্ৰসিং টেৰণ (মন্ত্ৰী) :— কেৱল ধুবুৰী, নলবাৰী মঙ্গলদৈ আৰু মৰিগাওঁত লোৱা হৈছে, নগাওঁত পিচত লোৱা হ'ব, সাম্প্ৰতিক এইবিলাক ঠাইৰ কাৰণেহে লোৱা হৈছে ।

(মাননীয় সদস্য সকলে এই প্ৰশ্নটো পেণ্ডীং ৰখাৰ কাৰণে দাবী জনায়)

মাননীয় অধ্যক্ষ :— তেতিয়াহলে প্ৰশ্নটো পেণ্ডীং থাকিল, পিছত কৃষি মন্ত্ৰী আহিলে ইয়াৰ উত্তৰ দিব ।

Undisposed Starred question dt 6.5 77

Re : PENSION OF JUNIOR BASIC TEACHERS.

Shrimati Anandi Bala Rava asked :

*347. Will the Minister, Education be pleased to state :

(a) Whether it is a fact that all Assam Government

Junior Basic Teachers Association have been demanding pension by adopting resolutions etc. ?

(b) If so, the steps so far taken by the Government in this regard ?

Shri Sarat Chandra Sinha (Chief Minister) replied :

S47. (a) No.

(b) Does not arise.

## UNSTARRED QUESTIONS AND ANSWERS

Date : 6th May, 1977.

### Re : MADRASSAS IN GOALPARA DISTRICT.

Shri Mathtias Tudu asked :

25 Will the Chief Minister be pleased to state :

How many Madrassas have been taken under full grant in-aid system in 1976-77 in Goalpara District ? ( Figures may be shown sub-divisionwise ).

Shri Sarat Chandra Sinha (Chief Minister) replied :

25. Three during the calender year 1976 ( Goalpara-2, Dhubri-1 ).

## SHORT NOTICE QUESTIONS AND ANSWERS

Date : 6th May, 1977

### Re : LOCK-OUT IN ASSAM CARBON PRODUCTS LTD.

Shri Dulal Chandra Khound asked :

6. Will the Minister Labour be pleased to state :—

(a) Whether lock-out declared by the management of

Assam Carbon Products Ltd. has been lifted ?

(b) Whether the Govt. has received any representation from the workers and the employees of the concern ?

(c) If so, what are their prayers ?

(d) Whether any retrenchment has taken place ?

Shri Gajen Tanti ( Minister, Labour ) replied :

6. (a)—Yes.

(b) Yes, a copy of the representation which the workers have submitted before the management has been forwarded to the Government.

(c) They have drawn the attention of the management to the following :—

(i) Alleged employment of relatives of the Managing Director in the concern.

(ii) Alleged discriminations made in granting salaries and perquisities.

(iii) Alleged appointment of persons of doubtful qualification.

(iv) Alleged frittering away of company's resources in charities and donations.

(v) Alleged wastage of money in unnecessary construction.

(vi) Alleged misbehaviour of the Managing Director.

(vii) Alleged unfair Labour practices, nepotism & favoritism resorted to by the management.

(viii) Alleged unjust termination of service of the previous works manager.

(d) No.

Re : LOCK-OUT IN ASSAM CARBON PRODUCTS LTD.

Shri Debendra Nath Bora asked :

7 Will the Minister, Labour be pleased to state :—

(a) Whether there was a 'Lock-out' in the Assam Carbon Products Ltd ?

(b) How long the 'Lock-out' was in force and when the workers were allowed to resume their duties ?

(c) Whether it is a fact that the workers were not allowed to resume their duties for days together even after the 'Lock-out' was declared illegal by Government and if so, what was the justification for it ?

(d) What were the main grievances of the workers ?

(e) Whether the Government is aware that there is much discrimination in the matter of appointment of local talents in the executiue cadre and that highly qualified and having requisite training local employees are not given chance ?

(f) Whether it is a fact that among the top Executives in the Factory there are some fake title holders of University and belonging almost to a certain community ?

(g) Whether it is a fact that in the Accounts Branch of the Factory all employees belong to a particular cummunity ?

(h) Whether it is a fact that local employees with good record of performance for few years are harrased, anno-

yed and also discharged so that they can not get high jobs ?

Shri Gajen Tanti (Minister, Labour) replied :

7. (a)—Yes

(b) 6.4.77 to 17.4.77 work restarted on 18.4.77.

(c) Yes, after the continuance of the lock-out was prohibited by the Government. They did so on the ground that the Alleged animated atmosphere generated by the unruly and violent behaviour of the workers which preceded the lock-out had not subsided till then and that a congenial situation did not exist for normal production.

(d) Non-payment of wages to the workers on the due date.

(e), (f), (g) & (h) Allegations to these effect-has been made in a representation made to the management by the workers. It is under investigation.

Shri Dulal Chandra Khound :— Sir, in reyly to Question No. 6 (d) the Minister has said 'no'. I do not know the difference of technical terms. But may I know from the Minister whether there was any termination of service of the employees ?

Shri Gajen Tanti (Minister) :— There is allegation of termination of service.

Shri Dulal Chandra Khound :— Is it not a fact that a highly qualified engineer has been suddenly terminated after 9 years of service in the said concern ?

Shri Gajen Tanti (Minister) :— I have replied it.

Shri Dulal Chandra Barua :— May I know whether it was considered necessary to intervene in the matter because he is not only a highly quelified engineer, but a top ranking engineer and along with him many other officers belonging to the State have been terminated. Wheter this was brought to the notice of the Government and if so, what action Government took against the concern or are proposing to take ?

Shri Gajen Tanti (Minister) :— Very recently a representation was submitted to the management with copy to Government and after receipt of this the matter is being investigated.

Shri Dulal Chandra Khound :— Was there actually any situation which called for lock-out in the concern ?

Shri Gajen Tanti (Minister) :— Actually we have issued the prohibitory order and the matter has been referred for adjudication. The hon'ble Court will decide it.

Shri Dulal Chandra Barua :— Even after lifting the lock-out whether it is a fact that the particular management did not allow the workers to work for days together, and if so, what action Government has taken or propose to take against the Managing Director for his high handedness and violating the existing labour law ?

Shri Gajen Tanti (Minister) :— I have said in reply to Question No. 7 (b) that the lock-out was in force from 6.4.77 to 7.4.77 and the work was restarted on 18.4.77. The management paid the salaries of the workers for the

period In the meantime the matter h's been referred for adjudication and at this stage action from Government does not arise.

Shri Premodhar Bora :— When this Government received the representation from the workers for intervening in the matter for settlement ?

Shri Gajen Tanti (Minister) :— Representation was made by the employees on 14.4.77 and we received it on 21 4.77.

Shri Dulal Chandra Khound :— Is it not a fact that due to gross missmanagement and manipulation of finance by the management as well as their blatant anti labour policy pursued by the management the workers have become restive and submitted representation to Govenment for action ? Is it also not a fact that because of this, it is leading to industrial dispute in the factory ?

Shri Gajen Tanti (Minister) :— I have said in reply to question No. 7 (e), (f), (g) & (h) that these are under investigation and unless and until the investions is completed Government cannot say anything.

Shri Jaganath Sinha :— Sir, may I know from the Hon'ble Minister under what condition the lock-out was declared and what was the purpose for declaring the lock-out from 6.4.77. to 17.4.77 ? May I also know from the Hon'ble Minister when the prohibitory order under the Industrial Disputes Act was issued and on which date ?

Shri Gajen Tanti (Minister) :— Sir, on 6.4.77 this lock-out was declared and on that date, so far as I remember,

the Hon'ble Member Shri Barua raised the issue before the House and the prohibitory order was issued on 7.4.77.

Shri Jaganath Sinha :— Sir, my question is not replied, My question is that under what circumstances the management declared the lock-out and secondly for violation of the prohibitory order what panel provision is applied under the Industrial Dispute Act ? Whether Govt. has taken any action under the Act ?

Shri Gajen Tanti (Minister) :— Sir, I have already stated in my reply that this lock-out was due to the alleged unruly and violent behaviour of the workers and since the matter is under investigation, Govt. is awaiting for further of action under the Act ?

Shri Jaganath Sinha :— Sir, my question is that when the prohibitory order was violated, whether Govt. have taken any panel action for violation of the prohibitory order by the management ?

Shri Gajen Tanti (Minister) :— Sir, all these matters are under investigation. Whether they have violated the prohibitory order or not is also under investigation.

Shri Jaganath Sinha :— Sir, the prohibitory order was issued on 7.3.77 and actually workers were allowed to join on 18.4.77. Sir during these period workers were paid nothing. Now, at the time of calculating the bonus under the Bonus Law, whether their remunerative wages of these periods will be taken into consideration in determining the bonus ?

Shri Gajen Tanti (Minister) :— Sir, as far as possible, that will be taken into consideration.

Shri Atul Chandra Saikia :— Sir, the Hon'ble Minister has stated that the issue has been sent for adjudication May I know whether the reference also includes this point that this lock-out was legal or illegal ?

Shri Gajen Tati (Minister) :— Yes, sir that will also be investigated

Shri Gaurishankar Bhattacharyya :— Sir. whether Govt. can consider another aspect of the matter. Even thouhg the workers are paid from 6.4.77 to 17.4.77. but the fact that there was no production in the concern is true and there has been a national loss because of this lock out. Whether Govt. consider this aspect of the matter and contemplate any action against the management ?

Shri Gajen Tanti (Minister) :— Sir, that will be taken into consideration.

Shri Dulal Chandra Khound :— Sir, for violation of the prohibitory order, whether Govt. will make any enquiry ?

Shri Gajen Tanti (Minister) :— Sir, Govt. will dicide whether a court of enquiry will be conducted or not only after receiving the report of the adjudication.

Shri Premodhar Bora :— Sir, how many families are involved in this case ?

Shri Gajen Tanti (Minister) :— Sir, these figures are not with me.

Shri Promode Chandra Gogoi :— Sir, what are the reasons for termination of the services of some employees of the concern and how many persons are involved in it ?

Shri Gajen Tanti (Minister) :— t is understood that services of two employees have been terminated. They are supervisory nature of works, and does not cover under I.D. Act.

Shri Dulal Chandra Barua :— Sir, whether the court of enquiry will be conducted in view of the existing mismanagement of the concern ?

Shri Gajen (Minister) :— Sir have already stated that Govt. will decide only after report of investigation whether it is necessary or not

Shri Dulal Chandra Barua :— Sir, wherther Govt. is aware of the fact that on the one hand the management is terminating the services of their employees and on the other hand they are giving new appointment to the relatives of some high-ups ?

Shri Gajen Tanti (Minister) :— Sir, that is not known to me.

Shri Dulal Chandra Barua :— Sir, whether Govt. will make an enquiry in this respect ?

Shri Gajen Tanti (Minister) :— Sir, in fact the enquiry is going on now.

শ্ৰী আবুল হোচেইন মীৰ :— অধ্যক্ষ মহোদয়, এই অসম কাৰবন হোৱাতো লাভ জনক কথা এই কাৰণেই ইয়াত থলুৱা মানুহৰ ইণ্টাৰেষ্ট বেছি । গতিকে এইটো চৰকাৰে লোৱাৰ ব্যৱস্থা কৰিবনে ?

শ্ৰী গজেন তাতি (মন্ত্ৰী.):— এইটো চৰকাৰে লোৱাৰ প্ৰশ্ন নুথে ।

Shri Jaganth Sinha :— Sir, may I know from the Hon'ble Minister whether these vacancies were notified or not in the Employment Exchange under the existing law ? Whether this is also enquired into ?

Shri Gajen Tanti (Minister) :— Sir, they are all under investigation.

Shri Dulal Chandra Baruah :— According to the existing laws these vacancies are to be notified. But in this case they are not notifying. Most of the people who are employed they are coming from outside the State and belonging to a particular community. They are bringing these people from outside the State. We have no grudge against the people appointed, against such candidates if they are not available inside the State. But they are giving false certificates as specialists of a particular department or a subject. These people have been appointed but no action has been taken by the Government in this regard.

Shri Gajen Tanti, (Minister, Supply) :— No Sir, the matter is under investigation. If it is found that there is any violation of the provision, naturally action will be taken.

Shri Jaganath Singh :— It is not only against the present employees but against the policies of the Employment Exchanges.

Shri Gajen Tanti (Minister) :— In respect of some cases Government have already taken actions, I have already stated

Mr. Speaker — Now, the Question Hour is over. Shri Ghanakanta Boro to speak.

শ্ৰী ঘনকান্ত বড়ো :— মাননীয় অধ্যক্ষ মহোদয়, পহুমাৰা নদীৰ গড়াখহনীয়াই বাইজৰ বিলাই বিপত্তি নোহোৱা কৰিছে । এই কথাটো মই বিভাগীয় মন্ত্ৰী মহোদয়ক লগ ধৰি জনাইছিলো কিন্তু একো ব্যৱস্থা লোৱা নাই । পহুমাৰা নদীৰ মথাউৰি খহি গৈছে আৰু হস্তিনাপুৰ মৌজাত ক্ষতিসাধন কৰিছে । কিন্তু মোৰ সমষ্টিৰ পৰা মানুহ আহিছে আৰু জনাইছে যে অফিচৰ পৰা এতিয়ালৈকে কোনো মানুহ যোৱা নাই । এই বাতৰিটো যোৱা ২৫ এপ্ৰিলৰ 'দৈনিক অসম' কাকততো প্ৰকাশ হৈছে ।

এতিয়া বান নিয়ন্ত্ৰণ বিভাগৰ মন্ত্ৰী মহোদয় নাই কাৰণেই কথাটো মুখ্যমন্ত্ৰী মহোদয়ৰ দৃষ্টি আকৰ্ষণ কৰিছো । বাতৰিত লিখা ভাৱে পঢ়ি দিব খুজিছো ।

মাননীয় অধ্যক্ষ : পঢ়ি দিব নালাগে, কোট কৰিলে হব ।

শ্ৰী ঘনকান্ত বড়ো :— গতিকে এই বাতৰিটোৰ প্ৰতি মই মুখ্যমন্ত্ৰী মহোদয়ৰ দৃষ্টি আকৰ্ষণ কৰিলো ।

## Statement by Minister

Mr. Speaker :- - Now, Minister, Excise is to make a statement.

Md. Idris, (Minister,) :— I would submit this statement Sir, On the evening of 2nd May 1977 at about 8 P. M. the Commissioner of Excise Shri J. Changkakati was returning from a walk from Lachit Nagar side towards Sarania Road. His wife was with him. At the trijunction towards the east of the cross road leading to Gandhi Mandop there is a pan shop on the south Sarania Road. At that place the Commissioner of Excise saw a person standing and calling some others to come and drink liquor from a bottle which he had purchased. The Commissioner of Excise asked the person what the bottle contained. The person who gave his name as Shri Dilip Gogoi, said that he had bought country liquor and begged for mercy. Shri Gogi said he was a peon in in the Gauhati Medical College. The Commi-

ssioner told Shri Gogoi that he could not possess or consume the liquor. The Commissioner of Excise then destroyed the bottle and left the place.

Later in the evening at about 9 P.M. an Excise party headed by an Inspector of Excise went to the pan shop to investigate. The Commissioner was also present. The pan shop was closed. Sometime later, the owner of the shop Shri Ratneswar Barman came to the shop. The remains of the bottle liquor which were lying outside the shop were seized by the Excise Party. Shri Barman pointed out the house of Shri Dilip Gogoi. The Excise party had to wait for about half an hour before shri Gogoi's wife opened the door. Shri Gogoi was not at his house. The Excise party found a few bottles with traces of illicit liquor within the House. These were seized. Shrimati Gogoi said that a few days back there was a party and the liquor was consumed at that time. The Excise party left the place after advising that Shri Dilip Gogoi should report to the Excise Office Guwahati on the next day at 9,AM.

Thus the facts of the case show that no attrocities were committed.

Shri Dulal Ch. Baruah :— I want to know one thing that the Commissioner of Excise accompanied by a party himself went to the Scene. Is there any provision for the Commissioner to go by leading a party and investi gate and enquire into the matter ?

Shri Md. Idris, (Minister ) —This report Sir, I have obtained from the commissioner.

Shri Dulal Ch. Baruah :— My I ask the Government to

depute another man to enquire into the matter. It is his own statement, there should be an impartial enquiry into the matter. At least another high ranking officer should be sent to go and enquire this, not from the Excise Department so that we can get the report within the session of the Assembly, say, within a day or two ?

Shri Md. Idris (Minister) :— Sir, incidentally I have heard that the party has gone to the Court. I have to asceratin if really a case has been registered in the Court of law. If it is so then it will be a matter of sub-judice. If it is not then the request of the hon. members will be considered.

Shri Gaurishankar Bhattacharyya :— This is a matter of some quite importance. I think it should not be avoided or should not be hus had ked. There are two aspects of the matter, one is that the Excise Commissioner is neally an enthusiastic and very vigilent one that he goes on searching for possible law breakers accompanied by his wife and goes on smelling about liquor at the dead of night also. If that is so, the Commissioner is a very efficient officer and then he should be specially rewarded. But if the other aspect is considered and if it is true that he, for some reason or other is in enmity with Shri Gogoi and that he had acted in excess by snatching away the bottle from is hand and himself leading an excise party and raiding the house of a lady at midnight in the absence of husband then it is a very serious matter. There fore, I think, it will be in the best interest of the State and the Government and the society if there be a proper enquiry by another party, preferably someone

from the Home Department so that the the truth may be found out. Either the officer should be rewarded or he should be punished. The Court case is a different one. This relates to the conduct of a Government Servant.

Shri Md. (Minister) :– Sir, I have said, probably the Leader of the Oppsition have not heard my last part of the reply. On this some people came to me; they themselves said to me that they are going to the Court of Law. At this stage we cannot do anything.

Shri Gaurishankar Bhattacharyya :— It is with regards to the conduct of a Government servant.

Shri Md. Idris, ( Minister ): – If there is no legal difficulty I will have an enquiry

# Private Members' Resolution

ডাঃ কোযেশ্বৰ বৰা :— মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্য শ্ৰীসোণেশ্বৰ বৰা দেৱে প্ৰস্তাৱটো উস্থাপন কৰিছিল যে '১৪ বছৰ বয়স পৰ্য্যন্ত ৰাজ্য খনৰ সমগ্ৰ লৰা ছোৱালীৰ কাৰণে এই বছৰৰ পৰা বাধ্যতামূলক আৰু বিনামূলীয়া এম, ই, এম, ভি, আৰু উচ্চ বুনিয়াদী শিক্ষা প্ৰবৰ্ত্তন কৰা হওক। এই প্ৰস্তাবটো স্বাধীনতা পোৱা ৩০ বছৰৰ পিচত এই সদনত উত্থাপিত হোৱাটো অতি দুখৰ কথা হৈছে। কাৰণ সংবিধান ১৯৫০ চনত কৰা হৈছিল আৰু তাতে কোৱা আছিল ১৪ বছৰ বয়সলৈ সমগ্ৰ দেশৰ লৰা ছোৱালীক বাধ্যতামূলক শিক্ষা প্ৰবৰ্ত্তন কৰা হওক। ১০ বছৰৰ ভিতৰত সকলোতে এই শিক্ষা দিয়া কথা আছিল। কিন্তু স্বাধীনতা পোৱাৰ ৩০ বছৰৰ পিচত এই শিক্ষা বাধ্যতামূলক নহল। এতিয়া আমি দেখিছো বিশেষকৈ গাওঁ অঞ্চল, বাগান অঞ্চল আৰু চৰ অঞ্চলত এই শিক্ষাৰ পৰা এতিয়াও বাদ পৰি আছে। আনকি ৬ বছৰ বয়সলৈকে সেই অঞ্চল বিলাকত এই শিক্ষা দিব পৰা নাই। চৰকাৰৰ

নিজৰ দায়িত্ব আছিল সংবিধানত লিপিবদ্ধ কৰা এই বাধ্যতামূলক শিক্ষা সৰলোতে প্ৰবৰ্ত্তন কৰিব লাগিছিল। এইটো সকলোৱে স্বীকাৰ কৰিছিল ১৪ বছৰ বয়সলৈ দেশৰ সমগ্ৰ লৰা ছোৱালীৰ বিনামূলীয়া আৰু বাধ্যতামূলক শিক্ষা ব্যৱস্থা হওক। কিন্তু আমাৰ চৰকাৰৰ ফালৰ পৰা এই কথাটো মনোযোগ নিদিলে। তাৰ ফলত এই তিনিটা অঞ্চলত স্বাধিনতা পোৱা ৩০ বছৰৰ পিচত অশিক্ষিত হৈ লৰা ছোৱালী বিলাক অনাই বনাই ঘুৰি ফুৰিছে। তাৰ ফলতেই দেশত উশৃংখলা হৈছে আৰু জৰুৰি আইন কৰি বা কিছুমান আইন কৰি শাসন কৰিব লগা হৈছে। আমি দেখিছো, প্ৰত্যেক নিৰ্ব্বাচনত হাজাৰ হাজাৰ টকা চৰকাৰে, পাৰ্টিয়ে খৰচ কৰিব লগা হৈছে। আমি ১৪ বছৰ বয়সলৈকে বাধ্যতামূলক শিক্ষা দিলে নিৰ্ব্বাচনত এই অপব্যয় নহলহেতেন। আমাতকৈ পিচত স্বাধীন হোৱা, অন্যান্য দেশ বিলাকৰ তুলনাত আমাৰ দেশ বহুত পিচপৰি আছে বহু সংখ্যক লোক অশিক্ষিত হৈ আছে। স্বাধীনতা পোৱাৰ ৩০ বছৰৰ পিচতো জনসাধাৰণে ছবি চাই ভোট দিব লগা হৈছে। ছবি নেদেখিলে ভোট দিব নোৱাৰে। আচলতে আমাৰ শতকৰা ৮০ ভাগ মানুহে ছবি চাই ভোট দিব লগা হৈছে।

আমাৰ দেশখন কৃষি প্ৰধান। এই কৃষি প্ৰধানদেশত দুটা কাৰণত শিক্ষাৰ বেচি দৰকাৰ। এটা হল সাধাৰণ খেতিয়ক সকলক যাতে খাজানা লওঁতে ঠগিব নোৱাৰে। আজি দেখা যায় খাজানা লোৱাৰ ক্ষেত্ৰত মৌজাদাৰৰ মহৰি সকলে বাইজক ঠগি আছে। মহৰি সকলে ৫ টকাৰ ঠাইত নানা কৰ কাতল দেখুৱাই ১০-১২ টকা আদায় কৰে। খাজানা ৰচিদৰ এটা পিঠিত টকা বিলাক লিখি দেখুৱাই মহৰি বিলাকে পইচা বিলাক খাই আছে। এই ধৰনে হোৱাৰ ফলত শেষত খেতিয়কৰ মাটি নিলামত যাব লগা হয়। তাৰ পিচত গাওঁ অঞ্চলত আৰু চৰ অঞ্চলত বহু দুবৃত্ত লোকে মিছা কথা কিছুমান লিখি টকা পইচা খোৱাৰ দৃষ্টান্ত আছে। মানুহ বিলাক শিক্ষিত হোৱা হলে এই অঞ্চল বিলাকত এনে নহলহেতেন। বাগান বিলাকত এগ্ৰিমেন্ট হিচাবত মজদুৰ সকলে খৰি চাতি আদি পাব লাগে। এই বিলাক নোপোৱাৰ কাৰণে যেতিয়া আন্দোলন হয় তেতিয়া সেই সম্থাৰ মজদুৰ সকলে খৰি পোৱা নাই চাতি পোৱা নাই আদি কৈ কাগজত মিচাতে লিখিবলৈ কয়। ওপৰত তেওঁলোকে লিখি দিয়ে খৰি চাতি সম্পূৰ্ণ পাইছে। এই ধৰনে কৰাৰ ফলত

লেবাৰ কোৰ্টত যেতিয়া কেচ দাখিল হয় তেতিয়া কেচ নাকচ হয়। অশিক্ষিতৰ সুবিধা লৈ দুৰ্বৃত্ত সকলে জনসাধাৰনক দিনে দিনে ঠগিছে। স্বাধীনতা পোৱাৰ ৩০ বছৰৰ পিচত জনসাধাৰনে ছবি চাই ভোট দিব লগা হৈছে ই কম কথা নহয়। এই ৩০ বছৰে একেৰাহে এই কংগ্ৰেচ চৰকাৰেই শাসন কৰি আছে। এই গাওঁ অঞ্চলৰ আৰু বাগান অঞ্চলৰ জনসাধাৰণক যদি শিক্ষিত কৰিব পৰা যায় তেন্তে এই কংগ্ৰেচ চৰকাৰে একচত্ৰী হিচাবে একেৰহে দেশ শাসন কৰি থাকিব নোৱাৰিব। সেই কৰেণে যদিও সংবিধানত বিধি আছে তথাপি বাধ্যতামুলক শিক্ষাৰ প্ৰতি আওকান কৰি আছে। শিক্ষা নিদিয়াৰ কাৰণে কেনেকৈ ব্যৱস্থা কৰিব পৰাযায় সেই কথা চিন্তা কৰা দেখা গৈছে। অশিক্ষিতিৰ সুবিধা লৈ কংগ্ৰেচ চৰকাৰে একচেতিয়া ভাবে শাসন কাৰ্য্য চলাবৰ বাবে ভোটত জয় লাভ কৰিবলৈ এই ব্যৱস্থা লৈছে। আমাৰ ত্ৰিশ বছৰ পলম হৈছে, পলমকৈ হলেও ১৪ বছৰলৈ বাধ্যতামুলক শিক্ষা প্ৰৰ্বতন কৰিব লাগিব।

তাৰ পিচত আমাৰ স্কুলৰ ছাত্ৰ-ছাত্ৰী সকলৰ মাজত যাতে ভেদ ভাব নাহে তাৰ কাৰনে ইউনিফৰ্ম দিয়াৰ ব্যৱস্থা কৰিছে। কাৰণ ধনী অভিভাৱক সকলে ভাল, কাপোৰ কানি দিব পাৰে কিন্তু দুখিয়া অভিভাক সকলে সেই মতে দিব নোৱাৰে। তেওঁ- লোকৰ হাফপেণ্ট এটা দিব পৰা সামথ্য নাই। গতিকে ধনী আৰু দুখীয়া ছাত্ৰ সকলৰ কাপোৰ কানি আদিৰ অমিলত যাতে বিভেদৰ ভাব আহিব তাৰ নোৱাৰে কাৰনে এই ব্যৱস্থা কৰিছে। ধনী দুখীয়া জাতি আদি ভাব নাইকিয়া কৰিবৰ কাৰণে এই ব্যৱস্থা শিক্ষা বিভাগে কৰিছে। কিন্তু মাছুলৰ আৰু বৃত্তিৰ ক্ষেত্ৰত সেই বৈষম্যৰ ভাব ছাত্ৰ সকলৰ মাজত আহিপৰে। অনুসূচিত ছাত্ৰই বেলেগ বৃত্তি পায়, অনুসুচিত জনজাতিৰ ছাত্ৰই বেলেগ ধৰনে বৃত্তি পায় পিচপৰা ছাত্ৰই বেলেগ ধৰণে বৃত্তি পায়, শিক্ষাত বেচি ভাল কৰাৰ কাৰণে বেলেগ ধৰনে বৃত্তি পায়। বৃত্তিৰ জৰিয়তে বিভেদৰ ভাবটো দেখুৱা হৈছে।

আনহাতে কিছুমান ছত্ৰক বৃত্তি দি চৰকাৰে তেওঁলোকৰ মাজত নানা বিভেদৰ সৃষ্টি কৰিছে। সেইকাৰণে যদি সকলোকে বিনামূলীয়া বাধ্যতামূলক শিক্ষা দিলেহেতেন তেতিয়া এই বিভেদ নহলহেতেন। বৃত্তি কিয় দিয়া হয় আৰু কাক দিয়া হয়? যাৰ অৰ্থনৈতিক অৱস্থা বেয়া বা টকা-পইচা নোহো-

ৰাৰ কাৰণে পিচপৰা লোকসকলৰ লৰা-ছোৱালী স্কুললৈ আহি শিক্ষা লাভ কৰিব নোৱাৰে তেনে ক্ষেত্ৰত বা তেনে লোকক্হে বৃত্তি দিয়া হয়। যদি বৃত্তিৰ পৰিবৰ্ত্তে সকলোকে সমান সুবিধা দিলেহেতেন তেতিয়াহলে বাধ্যতামূলক বিনামূলীয়া শিক্ষা লাভ কৰা এই বিভেদৰ সৃষ্টি নহলহেতেন আৰু তেতিয়া ইউনিফৰ্ম দি প্ৰত্যেক অনুষ্ঠানো সফল হলহেতেন।

আনহাতে আমাৰ সংবিধানত যিটো নীতি আছে ১০ বছৰৰ পৰা ১৪ বছৰৰ বয়সৰ লোকক বিনামূলীয়া বাধ্যতামূলক শিক্ষা দিব লাগে এই কথাও সফল হলহেতেন। টকা পইচাৰ ক্ষেত্ৰতো দেখা যায় যে এম, ভি, স্কুলত পঢ়িলে মাচুল দিব নালাগে আৰু এম, ই, স্কুলত পঢ়িলে মাচুল দিব লাগে। আনহাতে এম, ভি, আৰু এম, ই, স্কুলত বেলেগ বেলেগ হিচাবত বৃত্তি দিয়ে। গতিকে এনেধৰণৰ পাৰ্থক্য সৃষ্টি নকৰি সকলোকে সমানে বাধ্যতামূলক শিক্ষা দিয়া হলে বৃত্তিবো কোনো প্ৰয়োজন নহলহেতেন আৰু চৰকাৰৰ কিছু টকা ৰাহি হলহেতেন। তাৰ পৰিবৰ্ত্তে কিতাপ-পত্ৰ আদি দিয়াৰ কথাটোও তাৰ মাজতেই সোমাই পৰিলেহেতেন।

আজি মন্ত্ৰী মহোদয়ে প্ৰশ্নোত্তৰত কৈছিল যে প্ৰথম আৰু দ্বিতীয় শ্ৰেণীৰ বাবে ঠায়ে ঠায়ে কিতাপ দিছে কিন্তু ঠায়ে ঠায়ে নিদিয়াৰ কাৰণ কি ? ঠায়ে ঠায়ে দিছো বুলি কলেই নহব - যদি আচনি লৈছে তেতিয়া হলে সকলোকে সমানে দিব লাগে— যদি আচনিত নাই বা দিব পৰা নাই তেতিয়াহলে নকলেও হলহেতেন। আমাৰ ইয়াত কেইজনমান মাননীয় সদস্যই কৈছে বিশেষকৈ মাননীয় সদস্য শ্ৰীবড়ো ডাঙৰীয়াই তেখেতৰ সমষ্টিটো জনজাতি আৰু পিচপৰা শ্ৰেণীৰে পৰিপূৰ্ণ হোৱা স্বত্বেও কিতাপ দিয়া নাই বুলি কৈছে—আনকি খবৰেই পোৱা নাই। আনহাতে চৰকাৰে কয়—জনজাতি আৰু অনুসুচিত জাতি আৰু পিচপৰা লোকৰ সুবিধাৰ বাবে কিতাপ দিয়া হৈছে। গতিকে এই বৈষম্য দূৰ কৰাৰ পৰিবৰ্ত্তে চৰকাৰে সৰু সৰু ছাত্ৰ ছাত্ৰীৰ মাজত বৈষম্যৰ বিজ সিচি দি তেওঁলোকৰ মন কলুষিত কৰিছে। তাৰোপৰি সেই কিতাপ বিলাকত নতুন নতুন নিয়ম কৰি শিক্ষক সকলোকো বুজাত অসুবিধাৰ সৃষ্টি কৰিছে—লগতে ছাত্ৰক বুজাত সহায় কৰাতো দূৰৰ কথা বৰঞ্চ ছাত্ৰ আৰু শিক্ষকৰ মনবোৰ স্বাধীনতাৰ ৩০ বছৰৰ পাছতো কুলোষিত কৰি ৰাখিছে। আজি ৩০ বছৰ স্বাধীনতাৰ পাছতো সৰু সৰু

লৰাছোৱালীৰ মাজত শিক্ষাৰ যিটো অভাৱ আছিল— সেইটো আজিও পূৰণ কৰিব পৰা নাই। সেইকাৰণে মই ১৪ বছৰ বয়সলৈকে বাধ্যতামূলক বিনা-মূলীয়া শিক্ষা ব্যৱস্থাটো উত্তম বুলি কৈ আহিছো। স্বাধীনতাৰ এই ৩০ বছৰে স্বাধীন দেশ এখনে শিক্ষাৰ যিবিলাক অৱদান দিব লাগিছিল সেই বিলাক এতিয়াও দিব পৰা নাই। কেইটা পৰিকল্পনা কৰিলে কেইটা আয়োগ কৰিলে—আৰু কেইটা কমিচনে ৰিপৰ্ট দাখিল কৰিলে—তাৰ কোনো হিচাব নাই—কিন্তু তথাপিও তাৰ ফলাফল একোৱেই নহল। আজি বহুমুখী বিদ্যালয়ৰ পৰিবৰ্ত্তে উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ কথা আহিছে। বহুমুখী বিদ্যালয় কৰিবলৈ যাওঁতেই অসমৰ কোটি কোটি টকা খৰচ কৰিলে। এতিয়াও তাৰ যিবিলাক যন্ত্ৰপাতি আছে— সেইবিলাক কোনো কামত নাহোতেই মামৰে ধৰি অচলাৱস্থাত ৰাখিছে। তাক পুনৰ ব্যৱহাৰ কৰিব পৰা ব্যৱস্থা চৰকাৰে নকৰালৈ— সেইবিলাক এতিয়াও স্কুল বোৰ্ডতেই পৰি থাকিল। কাৰণ চৰ-কাৰে ভাবে যে— সেইটো আগৰ চৰকাৰে কৰিলে— গতিকে সেইটো নতুনকৈ কৰাৰ কোনো যুক্তি নাই— বা নতুনকৈ কৰাৰ দায়িত্ব নলয়। প্ৰত্যেকটো শিক্ষা মন্ত্ৰীয়েই এই দায়িত্ব বাদ দি নতুন নতুন নিয়ম কৰি শিক্ষাৰ ক্ষেত্ৰত নানা বেমেজালিৰ সৃষ্টি কৰিছে। বহুমুখী আচনি বাদ দিয়াৰ পাছত হয়তো সেই যন্ত্ৰপাতি বিলাক অন্য ঠাইত বিক্ৰি কৰি বা তাৰ বিকল্প ব্যৱহাৰ কৰি তাৰ পৰা টকা উলিয়াব পাৰিলেহেতেন। সেইবিলাক টকা চৰকাৰে বা অফিচাৰে দিয়া টকা নহয়। সেইবিলাক জনসাধাৰণৰ টকা। এইদৰে ৰাইজৰ টকা চৰকাৰে অপচয় কৰিছে। বহুতো প্ৰয়োজনীয় পৰামৰ্শ দিয়া স্বত্বেও চৰকাৰে সেইবিলাকলৈ লক্ষ্য কৰা নাই। স্কুল বিলাকত যিটো বুনিয়াদী ব্যৱস্থা কৰিলে তাৰ দ্বাৰা শিক্ষকসকলে যিবিলাক সুবিধা পাব লাগিছিল সেই বিলাক সুবিধা বুনিয়াদী স্কুলত নোপোৱাৰ কাৰণে আগৰ যিটো গতানুগতিক শিক্ষা আছিল— সেইটোৱেই চলি থাকিল— বুনিয়াদী শিক্ষাৰ কোনো প্ৰচল-নেই নহল। গতিকে আনহাতে বুনিয়াদী শিক্ষাৰ নামত বহু লাখ টকা অযথা খৰচ কৰিলে— তাৰ পৰিবৰ্ত্তে বুনিয়াদীশিক্ষা প্ৰবৰ্ত্তন কৰিব নোৱা-ৰিলে। এইটো পৰিবৰ্ত্তন কৰিবলৈ গৈ চৰকাৰে প্ৰত্যেকে নিজৰ নিজৰ সুবিধাহে কৰি লৈছে বা মন্ত্ৰী সভা বদলি হোৱাৰ লগে লগে সকলো নীতি নিয়ম বদলি হোৱাত শিক্ষাত ব্যাঘাট জন্মিছে— আজিৰ মন্ত্ৰীসভাই আগৰ পৰাই তেনে উদাহৰণ দি আহিছে।

এতিয়া যিটো ১২ বছৰীয়া পাঠ্যক্ৰম নতুনকৈ কৰিছে— তাত দেখা গৈছে যে ছাত্ৰছাত্ৰীৰ পঢ়াৰ অসুবিধা, কিতাপৰ অসুবিধা আৰু শিক্ষকৰ অভাৱ ইত্যাদি ত্ৰুটিপূৰ্ণ পাঠ্যক্ৰম কৰিছে। তাত যিবিলাক চিলেবাছ আছে পৰীক্ষাৰ্থীয়ে নিজে নাজানে যে কি বিষয়ে পৰীক্ষা দিব ? আজি দুবছৰে মেট্ৰিক শেষান্ত পৰীক্ষাত যিটো চছিয়েল ষ্টাডিৰ প্ৰশ্ন আছে তাত বহুতো ছাত্ৰই ভুল কৰে। আনকি পৰীক্ষকেও নাজানে যে কেনেধৰণে প্ৰশ্ন কাটিব লাগে ? গতিকে আজি সেই পৰীক্ষাত ছাত্ৰছাত্ৰীৰ বাবে যি কীৰ্ত্তিত্ব পূৰণ কৰিব লাগিছিল সেই কীৰ্ত্তিত্ব পূৰণ কৰিব পৰা নাই। এই চছিয়েল ষ্টাডিৰ প্ৰশ্নখন কোনো মতাবেচন নহল। তাৰ ফলত গোটেই বিলাক গণ্ডগোলীয়া হৈ থাকিল। কিতাপ বদলি কৰাৰ নামত নতুন বতলত পুৰণা মদ থকাৰ দৰে হৈছে। আনফালে বদলি একোৱেই নহল— মাত্ৰ ওপৰৰ বেটুপাতখন বদলি কৰি এটা গণ্ডগোলহে সৃষ্টি কৰিছে। আগতে একোখন কিতাপ ৫ বছৰলৈকে চলিছিল— কিন্তু এতিয়া মন্ত্ৰী বদলি হোৱাৰ লগে লগে সকলো বদলি হৈ পৰে— তাৰ ফলত প্ৰকৃত শিক্ষাৰ পৰা লৰাছোৱালী বঞ্চিত হবলগীয়া হৈছে। আন এটা কথা যে বৰ্ত্তমানে ৫ম শ্ৰেণীৰ যিখন ইংৰাজী কিতাপ আছে— সেইখন ইন্টাৰমেডিয়েট ষ্টেনডাৰ্ডৰ সমান। সেয়েহে কথা হৈছে বোধকৰো ইংৰাজীত অভিজ্ঞতা নথকাৰ কাৰণে সেই বিলাক কিতাপ উলিয়াইছে। কিন্তু তাক শুদ্ধ কৰিবলৈ বহুতো শিক্ষিত লোক বা অভিজ্ঞতা থকা লোক আছিল। গতিকে দেখা যায় যে মন্ত্ৰী বদলি হলেই বা চেক্ৰেটৰী বদলি হলেই— কিতাপ-পত্ৰ সকলো বদলি হয়। যিয়ে যি ইচ্ছা তাকেই কৰে। নিজৰ সম্পৰ্কীয় লোকৰ কিতাপবিলাক প্ৰচলন কৰিবলৈ ধৰে— তাৰ ফলত শিক্ষা বিষয়ত নানা উশৃংখলৰ সৃষ্টি হৈছে। তাৰোপৰি চৰকাৰে শিক্ষানুষ্ঠানবিলাকত যিবিলাক বুক বেংক খোলাৰ কথা কলে— সেইবিলাক কেৱল নামতহে হল কামত একোৱেই নহল। এই বুক বেংকৰ বাবে চৰকাৰে টকা-পইচা দিয়া হলে কিছু কাম হল হয়— কিন্তু এই বুক বেংক বিলাক এনেই নামত হল— কামত দুখনো তাত কিতাপ নাই। ইফালে চৰকাৰে নটিচ দিয়ে, চাৰ্কোলাৰ দিয়ে যে বুকবেংক নুখুলিলে শিক্ষকৰ দৰ্মহা দিয়া নহব ইত্যাদি। কিন্তু শিক্ষক সকলৰ চলিবলৈকে দৰ্মহা নাই— তেনেস্থলত নামত এনেয়ে চাইনবোৰ্ডটো মাৰি থৈছে— কিতাপ ১০ খনো নাই।

এই বিষয়ত ডেফিচিট্ আৰু এটক স্কুল বিলাক বেছিকৈ মাৰ খাব লগীয়া হৈছে। তেওঁলোকৰ অৱস্থা অতি জৰাজীর্ণ হৈ আছে।

এতিয়ালৈকে চৰকাৰে যি ধ্বনী তুলিছিল যে বুক বেংকৰ জৰিয়তে দুখীয়া ছাত্র ছাত্রী, অন্যান্য পিচপৰা ছাত্র ছাত্রী আৰু অনুসূচিত জনজাতিৰ ছাত্রছাত্রী সকলক সুবিধা দিব কিন্তু আনহাতে বুক বেংকৰ নামত ১ হেজাৰ বা ৫০০ টকাকৈ একোখন মহকুমাত দিয়ে দুখন এখন স্কুলত দিব কাৰণে যাৰ দ্বাৰা কোনো উদ্দেশ্য পূৰণ নহয়। গতিকে এই গোটেই কথাবিলাক লাহে লাহে আচনি লৈ সুস্থিৰ নীতিৰে শিক্ষা বিভাগটো চলাব লাগে কাৰণ অস্থিৰ শিক্ষানীতিৰ কাৰণে আমাৰ উঠি অহা ছাত্র ছাত্রী সকল বলিৰ পঠা হৈছে। আমাৰ যি সকল ছাত্র ছাত্রীয়ে আজি শিক্ষা লাভ কৰিছে তেওঁলোকক দেখা যায় আজি বি এ পাচ কৰিলেও তেওঁ যদি অনাৰ্চ বা দিষ্টিংচন নাপায়। আনহাতে আকৌ এই চৰকাৰে কলেজত অনাৰ্চ খুলিবলৈ পাৰ্মিচন নিদিয়ে। আমাক বেচি শিক্ষা বাৰু নালাগে কিন্তু মেট্রিকলৈ ভাল ষ্টেণ্ডাৰ্ডত শিক্ষা লাভ কৰিব পাৰিলে আন আন দেশৰ দৰে আমাৰ লৰা ছোৱালীয়ে বিশ্ববিদ্যালয়ৰ উচ্চশিক্ষালৈ অপেক্ষা নকৰি কিবা এটা চাকৰিত সোমাব পাৰে। কাৰণ আন আন দেশত আজি ইঞ্জিনিয়াৰিং বা মেডিকেলৰ কাৰণে এনে সুবিধা নিদিয়ে তেওঁলোকে মাত্র মেট্রিকলৈ ভাল ব্যৱস্থা কৰি দিয়ে। গতিকে শিক্ষা দিয়াৰ লগে লগে আমি তেওঁলোকক কিবা কাম কাজ দিয়াৰ কথাও বিবেচনা কৰিব লাগিব। আৰু তেনেকুৱা কোনো আচনি নোহোৱাৰ ফলত বা যথে মধে স্কুল কলেজ বিশ্ববিদ্যালয় খুলি শিক্ষা দিয়াৰ ফলত আমাৰ উঠিঅহা ছাত্র ছাত্রী সকলৰ কিবা সংস্থাপন হৈছে নে? আজি আমাৰ দেশত টেকনিকেল বা মেডিকেলৰ অন্য কিবা ব্যৱস্থা হৈছে নে? আজি আমাৰ লৰাই ইঞ্জিনিয়াৰিং পাচ কৰি অটোৰিক্সাৰ ড্রাইভাৰ বা চিটিবাচৰ ড্রাইভাৰ হব লগীয়া হৈছে। একোজন গ্রেজুৱেটৰ কাৰণে চৰকাৰে যিমান খৰছ কৰে সেই হিচাবে কিবা কামত আহিছে নে? আজি কিছুমান প্রশিক্ষন বা শিক্ষাত ফৰম ফিল্ড আপ কৰোতে চহী কৰিব লাগে যে পাচ কৰাৰ পাচত তেওঁ চৰকাৰক চাকৰি কৰি দিব কিন্তু তেওঁলোকে আজি চাকৰি পোৱা নাই। গতিকে নিৰ্দিষ্ট কোনো আচনি নোহোৱাৰ কাৰণে আমাৰ শিক্ষা ব্যৱস্থাত এই ব্যাঘাট জন্মিছে। আমাৰ

দেশত শিক্ষামন্ত্ৰী হৈছে চেষ্টা কৰে কেনেকৈ নতুন বস্তু এটা কৰিব পাৰে। আপোনালোকে এইবাৰ মেট্ৰিকৰ অংকৰ প্ৰশ্ন কাকত চাব, ১০ পৃষ্ঠাৰ প্ৰশ্ন কাতিছে তাক পঢ়োতেই আধা ঘণ্টা লাগে। তাৰ পিচত চোচিয়েল ষ্টাদিব কাৰণে যি প্ৰশ্ন তাৰ একোটা প্ৰশ্নৰ কাৰণে একো নম্বৰ, এ বি চি কৈ ৬০-৭০ টা প্ৰশ্ন হৈছে। আমাৰ মাননীয় সদস্য সকলে কিজানি এনেকুৱা কেতিয়াও দেখাই নাই। গতিকে ইয়াৰ দ্বাৰা ছাত্ৰ ছাত্ৰী সকলৰ কি উপকাৰ হয়। প্ৰশ্ন কটাৰ কাৰণে কোনো মডাৰেত বোৰ্ড নোহোৱাৰ কাৰণে এনেকুৱা হৈছে আৰু সকলোৱে নিজক লৈয়ে প্ৰশ্ন কাটে যাব ফলত হাজাৰ হাজাৰ ছাত্ৰ ছাত্ৰী বিমোৰত পৰিছে। এই অস্থিৰ শিক্ষানীতিৰ কাৰণে আমাৰ দেশত শিক্ষা ব্যৱস্থাৰ হুলস্থুল অৱস্থা। গতিকে গোটেই কথাটো চিন্তা কৰি চোৱাৰ সময় হৈছে। গতিকে সংবিধানত যিটো লিপিবদ্ধ কৰা হৈছে যে ১৪ বছৰ বয়সলৈ শিক্ষা বাধ্যতামূলক আৰু বিনামূলীয়া হবলাগে আৰু সেই বিষয়ে আমাৰ মাননীয় সদস্য গৰাকীয়ে যি প্ৰশ্ন আনিছে মই তাক সমৰ্থন কৰিছো। লগতে মই আশা কৰিছো মাননীয় সকলো সদস্যই এই প্ৰস্তাৱ সমৰ্থন কৰি আমাৰ দেশত শিক্ষা ও সামাজিক ব্যৱস্থা ভাল কৰিবলৈ যাতে ছাত্ৰ ছাত্ৰী সকল উদ্যোশ্য প্ৰনোদিত হয় তাকে কৈ মোৰ বক্তৃতাৰ সামৰণি মাৰিলো।

শ্ৰীৰাম চন্দ্ৰ শৰ্মা :— মাননীয় উপাধ্যক্ষ মহোদয়, ১৪ বছৰ বয়সলৈকে আমাৰ দেশৰ লৰা ছোৱালীৰ শিক্ষা বাধ্যতামূলক আৰু বিনামূলীয়া হব লাগে বুলি যি প্ৰস্তাৱ আহিছে সেই প্ৰস্তাৱ এটা উত্তম প্ৰস্তাৱ আৰু সেই প্ৰস্তাৱ দিধাহীনভাৱে যাতে সকলোৱে সমৰ্থন কৰে তাৰ বাবে অনুৰোধ কৰিলো। আমি আজি শিক্ষাৰ ওপৰত গুৰুত্ব দিয়া সময় হৈছে আৰু এইটোৱেই আটাইতকৈ জৰুৰী বিষয়। যি কোনো এজন ব্যক্তিৰে তেওঁৰ যদি সামান্যতম জ্ঞানো নাথাকে তেনেহলে কোনো সমস্যা সমাধান সম্ভৱপৰ নহয়। আজি আমাৰ দেশত শতকৰা ঊনত্ৰিশ জন মাত্ৰ শিক্ষিত মানুহ আৰু বাকী একসত্তৰ জনেই অশিক্ষিত। কিন্তু একসত্তৰ জনক যদি শিক্ষাৰ পোহৰলৈ আনিব নোৱাৰো তেনেহলে আমি যি আচনিয়েই লওঁ কিয় তেওঁলোকে বুজিও নাপাব আৰু ফলৱতীও নহব। বন্দুকৰ বিষয়ে জ্ঞান নাথাকিলে যেনেকৈ বন্দুক চলাব নোৱাৰে ঠিক তেনেকৈ শিক্ষাজ্ঞান নাথাকিলেও প্ৰচাৰৰ কাৰ্য্য সম্পূৰ্ণ

বুজিব নোৱাৰে।

সন্তান সন্ততিয়ে ভৱিষ্যতে খাবৰ কাৰণে মাক বাপেকে সা-সম্পত্তি কৰি থৈ গলেও সন্তান বিলাক যদি উপযুক্ত নহয় তেতিয়াহলে, সেই সম্পত্তি, ধনটকা পইছা দুদিনো নোযোৱাৰ নিছিনাকৈ আমাৰ ভৱিষ্যত দেশৰ বংশধৰ সকলৰ কাৰণেও যদি উপযুক্ত আৰু সুস্থ শিক্ষানীতিৰে সু-নাগৰিক কৰি তোলাৰ উপযুক্ত পৰিবেশ এটা সৃষ্টি কৰি যাব নোৱাৰো তেতিয়াহলে তেওঁলোকৰ হাতত আমাৰ দেশৰ ভৱিষ্যত কেতিয়াও নিৰাপদ হব নোৱাৰে। ১৯50 চনতে চৰকাৰে সংবিধান মতে বিনামূলীয়া শিক্ষা দিয়াৰ প্ৰতিশ্ৰুতি দিছিল যদিও আংশিক ভাবে কিছু পূৰণ কৰাৰ বাহিৰে বাকী একোৱেই কৰিব নোৱাৰাৰ ফলতেই মাটি বাৰী একো নথকা সৰ্ব্বহাৰা মাকবাপেকে পেটপ্ৰবৰ্ত্তৰ কাৰণে লৰাছোৱালীক স্কুললৈ পথোৱাৰ পৰিবৰ্ত্তে লোকৰ ঘৰত চাকৰ বাকৰ কৰি ৰাখিবলীয়া হয়। আমাৰ সমাজ খন যেনেকৈ ভাগ ভাগ কৰি পেলোৱা হৈছে সেইদৰে শিক্ষাৰ ব্যৱস্থাটোকো এম, ই, এম, ভি, বেছিক, চিনিয়ৰ বেছিক, জুনিয়ৰ বেছিক, আদি বিভিন্ন ভাগত ভাগ ভাগ কৰি পেলাইছে। যদি বাতৰি কাকতত ওলোৱাৰ দৰে নতুন বটলত পুৰণা মদ'ৰ নিছিনাহে কথাটো হৈছে। মন্দিৰটোৱেই অপৱিত্ৰ হলে যেনেকৈ পাপ খণ্ডন কৰিবলৈ গলেও কোনো লাভ নহয় থিক তেনেকৈয়ে অজ্ঞান অন্ধকাৰ দূৰকৰিবৰ কাৰণে যদি শিক্ষাৰ মন্দিৰতেই পৱিত্ৰতা আৰু সুস্থ শিক্ষা নীতি নাথাকে তেতিয়াহলে, শুদ্ধ হোৱাৰ আৰু অন্য একো উপায় নেথাকে। সেই কাৰণেই শিক্ষানীতিটো সবল আৰু একেটাই হবলাগিব। মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে এতিয়াও যি দুহেজাৰ প্ৰাইমেৰী স্কুল হবলৈ বাকী আছে বুলি কৈছে সেইবিলাক আমাৰ ৰাজ্যখনত একেবাৰেই পিছপৰা অঞ্চল বিলাকতেই আছে। ফলত সেই ঠাইৰ লোক সকল শিক্ষাৰ ক্ষেত্ৰত বঞ্চিত হৈ আছে। আগৰ পৰাই শিক্ষানীতি এইদৰে হৈ আছে আৰু ১৯৭৩ চনত নতুন শিক্ষা নীতি লোৱাৰ পিছতো একো পৰিবৰ্ত্তন হোৱা নাই। কৰ্ম্মমুখী যিটো শিক্ষা নীতিৰ ব্যৱস্থা কৰিছে সেইটো ত্ৰুটিপূৰ্ণ। ইটা এচটা ইফাল সিফাল কৰা, কাৰোবাৰ পথাৰত ধান কটা ইত্যাদি বিলাক কথাৰ দ্বাৰা কৰ্ম্মমুখী অভিজ্ঞতাৰ ফল পাব নোৱাৰি। এই বিষয়ত মাৰ্ক এচেছ কৰাটোৰো কোনো নিৰ্দ্দিষ্ট নিৰ্দেশ নাই। গতিকেই সকলোৱেই পাছকৰে আৰু কিছুমান অঞ্চলৰ কিছু ভয় থকা স্কুলৰ বাহিৰে ৰাকী বিলাক

স্কুলত কম্ অভিজ্ঞতাৰ কাৰণে শতকৰা ১০০ নম্বৰৰ ভিতৰত ৯০ নম্বৰেই ছাত্ৰই পায়। বাকী বিলাক বিষয়ত শ,ন্যলৈকে পোৱাৰ অৱস্থাত এই বিষয়ত কেনেকৈ লেটাৰ পায়। নতুন পাঠ্যক্ৰম তৈয়াৰৰ ক্ষেত্ৰত ওপৰৰ বেটুপাতটো বদলাই আৰু ভিতৰৰ কেইটামান শব্দ বদলাই, তাকো শুদ্ধ হয়নে নহয় কৰনোৱাৰি, দিলেই এখন নতুন কিতাপ হব নোৱাৰে। প্ৰশ্নৰ বেলিকাও থিক তেনেকুৱাই। মেথেমেটিকছৰ এখন পেপাৰ বাজেট বক্তৃতাৰ নিছিনাই। জ্যামিতিৰ ক্ষেত্ৰটো থিক তেনেকুৱাই। গোটেইখিনি চাওঁতেই দেব-ডুঘণ্টা সময় যায়। কিন্তু লিখিবলাগে মাত্ৰ দেব-ডুই পেজমানহে। চছিয়েলষ্টাডিজৰ পেপাৰখনো কোনে কাটিছিল তাৰ থিক নাই। পেপাৰত যিবিলাক প্ৰশ্ন কাটিছে সেই বিলাক কিতাপতেই কিছুমান নাই আৰু তাৰোপৰি, একেখন পেপাৰকে অসমীয়াত পঢ়াইও কৰিবলাগিব আৰু ইংৰাজীত পঢ়াইও কৰিব লাগিব।

আচৰিত কথা যে টেষ্ট পৰীক্ষালৈকে ছোৱালীবিলাকক 'হোম চাইন্স' পঢ়ে বা হল এতিয়া এতিয়া ফাইনাল পৰিক্ষালৈ মাত্ৰ কেইটামান দিন হে বাকী আছে তেনে অৱস্থাত হেড মাষ্টাৰ সকলে কয় যে তোমালোকে ভূগোলো পঢ়িবা কিজানিবা সেই 'হোম চাইন্স চাবজেক্টটো ফাইনাল পৰীক্ষাত এলাও কৰে নে নকৰে। তাত তেওঁলোকৰ সন্দেহ হ'ল, গতিকে অনাহকতে তেওঁলোকে দুয়োটা বিষয়েই অধ্যয়ন কৰিব লগীয়া হ'ল, পিছত হোমচাইন্স এলাও নকৰিলে। এগ্ৰিকালচাৰ কলেজতহে এই হোমচাইন্সৰ কাৰণে শিক্ষকতাৰ সুবিধা আছে আৰু সেই শিক্ষকতাৰ কাৰণে বাহিৰত হোমচাইন্স পঢ়ি অহাৰ সুবিধা আছে। কিন্তু এই স্কুল পৰ্য্যায়ত হোমচাইন্স পঢ়ি তেওঁলোকে ক'ত সংস্থাপন বা শিক্ষকতা কৰিব কিয়নো আমাৰ ইয়াত স্কুলত হোমচাইন্স পাচ কৰাৰ পিছত কলেজত হোমচাইন্স পঢ়াৰ সুবিধা নাই মাত্ৰ দুই এখনতহে এই চাবজেক্টটো খোলা হৈছে তাকো মাত্ৰ 'সি'দিনাহে। তাৰোপৰি এই হোমচাইন্স চাবজেক্টৰ কাৰণে যিবিলাক লেবোৰেটৰীৰ ব্যৱস্থা থাকিব লাগে সেইবিলাক নাই, আৰুকো 'এডিশ্যনেল চাইন্সৰ' কাৰণে যিবিলাক কিতাপ পত্ৰ মনোনয়ন কৰা হৈছে বা হব সেইবিলাক বজাৰত পাবলৈ নাই, জেনেৰেল চাইন্সৰ মাত্ৰ দুই এখন কিতাপহে ওলাইছে। অথচ সেই চাইন্স চাবজেক্টটো এতিয়া বাধ্যতা-

মুলক কৰা হৈছে। চাইন্সৰ শিক্ষকে লেবৰেটৰীত টেষ্ট টিউবৰ অভাবত এনেই আঙুলিৰে এইডাল কাচৰ নলী বুলি ধৰি লোৱা বুলি শিক্ষকে ছাত্ৰক বিজ্ঞানৰ প্ৰেক্তিকেল নলেজ দিব লাগে। এনে ব্যৱস্থাত কেনেকৈ বিজ্ঞান শিক্ষা দিব ? তাৰোপৰি আগতে যিবিলাক স্কুল আছিল সেইবিলাকত যি সকল বি, এচ, চি অংক শিকোৱা শিক্ষক আছিল এতিয়া যিহেতু ফাইভৰ পৰা টেনলৈ এই বিজ্ঞান বিষয়টো বাধ্যতামুলক কৰাৰ কাৰণে সেই আগৰ অংকৰ মাষ্টৰ জনেই বিজ্ঞানৰ বিষয়টো পঢ়াব লগা হয়। আনহাতেদি প্ৰতিটো ক্লাচত এদমিশ্যনৰ সংখ্যা বহুগুনে বাঢ়ি গৈছে। গতিকে একেজন শিক্ষকৰ কাৰণে ইমান সংখ্যক ছাত্ৰক দুয়োটা বিষয়ত শিক্ষা দান কৰাটো কোনো মতেই সম্ভৱপৰ নহয়। মেনেজিং কমিটিৰ পৰাও এই বিষয়ে নানা ধৰণৰ আপত্তি আহিছে। মুখ্যমন্ত্ৰীয়ে বিবৃতিত দিছে যে এডমিশ্যন লোৱাৰ এই বছৰৰ কাৰণে ৩০ এপ্ৰিল ধাৰ্য্য কৰা হৈছে। আগতে যিমান বিলাক ছাত্ৰই অধ্যয়ন কৰিছিল তাতোকৈ এতিয়া দুগুন তিনিগুন ছাত্ৰই স্কুললৈ এডমিশ্যন লবলৈ আহিছে। গতিকেই ক্লাচবিলাকত নতুন নতুন চেক্সন খুলিব লগা হৈছে যিহেতু ছাত্ৰৰ সংখ্যা আগতকৈ বহুত বাঢ়িছে। আনহাতেদি স্কুলঘৰৰ অভাবত লৰা ছোৱালীয়ে পঢ়িবলৈও ঠাই নাই। গতিকেই এডমশানৰ ক্ষেত্ৰত নানা ধৰণৰ বেমেজালিত পৰিছে। এতিয়া বাইজে স্কুল ঘৰ বান্ধি দিব নে শিক্ষকৰ সংখ্যা বঢ়াব ? দি, পি. আই অফিচৰ পৰা ৰিপোৰ্ট আহিলেহে শিক্ষক আহিব। সপ্তম মান শ্ৰেণীত যিহেতু এদিশনেল চাইন্স চাবজেক্তটো দিয়া হল কিন্তু তাত অতিৰিক্ত সেই বিষয়ৰ শিক্ষক দিয়া হোৱা নাই। গতিকে কোনে এই বিষয়টো পঢ়ুৱাব আৰু নতুন ঘৰ কোনে সাজি দিব যিহেতু ভঙা আৰু অনুপযুক্ত স্কুল বিলাকত স্কুল চলি আছে। এই যে ৩০ তাৰিখ যিটো শেষ সময় বান্ধি দিয়া হল তাৰ সময়তো আৰু বঢ়াই দিব লাগে আৰু দি, আই আৰু ইন্সপেক্টৰৰ পৰা সেই ক্ষেত্ৰত যাবতীয় সুবিধা আগ বঢ়াব লাগে। তাৰ পাচত আমাৰ প্ৰশিক্ষনৰ ক্ষেত্ৰত বেচিক ট্ৰেইনিং শিক্ষকৰ কাৰণে প্ৰশিক্ষন দিয়া হৈছিল আৰু সেই বাবদ ষ্টাইপেন্দ দিয়া হৈছিল। কিন্তু এতিয়া বস্তু বাহানীৰ আৰু আন আন সকলো দিশতে দাম বৃদ্ধি হোৱালৈ চায় তেওঁলোকক আগতে যিটো হাৰত জলপানী দিয়া হৈছিল সেইটো বৃদ্ধি কৰিব লাগে। তাৰোপৰি যিমান শিক্ষকৰ প্ৰয়োজন সিমান শিক্ষকক প্ৰশিক্ষন

নিৰ্দি কম শিক্ষকক দিয়াৰ কাৰণে এই বিষয়টো পঢ়ুৱাবলৈ শিক্ষকৰ অভাৱ অনুভৱ কৰা হৈছে। গতিকেই আগতকৈ অধিক শিক্ষকক বেচিক ট্ৰেইনিংৰ প্ৰশিক্ষন দিয়াৰ ব্যৱস্থা কৰিব লাগে। অকল সেইটোৱেই নহয় পুৰণা শিক্ষক সকলে আজি কালিৰ নতুন কৰ্চৰ যিবিলাক অংক আছে সেই বিলাক তেওঁলোকে নিজেই নুবুজে। গতিকে সেই বিষয়টো কেনেকৈ পঢ়ুৱাব ? অৱশ্যে নতুনকৈ পাচ কৰা সকলে নতুন কৰ্চৰ অংক শিকাব পাৰে। গতিকে পুৰণা শিক্ষক সকলক নতুন কৰ্চৰ প্ৰশিক্ষন দিয়াৰ ব্যৱস্থা কৰিব লাগে॥ তাৰ পিচত ইউনিফৰ্মৰ কথালৈ আহো, আমাৰ স্কুল বিলাকত আজি কালি লৰা-ছোৱালী বিলাকক ইউনিফৰ্মৰ যদিও ব্যৱস্থা কৰা হৈছে কিন্তু সেই ইউনিফৰ্ম সকলো স্কুলৰ কাৰণে একে হোৱা নাই তাৰোপৰি কিছুমান স্কুলত বিনামূলীয়াকৈ কিতাপ পত্ৰ দিয়াৰ ব্যৱস্থা হৈছে আৰু কিছুমানত তেনে ব্যৱস্থা নাই। গতিকে এনেবিলাক কাৰণত লৰা ছোৱালী বিলাকৰ মনত বিভাজনৰ সৃষ্টি হৈছে। স্কুলৰ পৰা গৈ তেওঁলোকে কোনোবা গোসাই কোনোবা বামুন কোনোবা ট্ৰাইবেল ইত্যাদি মনোভাৱ পোষন কৰিছে। অমুকৰ ঘৰলৈ তমুক যাব নোৱাৰে খোৱা মেলা কৰিব নোৱাৰে ইত্যাদি বিলাক গঢ়ি উঠিছে। গতিকে সকলো পৰাই ইউনিফৰ্ম পলিচিত আৰু একে পাঠ্যক্ৰমৰ ব্যৱস্থা কৰি লৰা-ছোৱালী বিলাকক একিভূত কৰিবলৈ চেষ্টা কৰিব লাগে। যেতিয়ালৈকে লৰা-ছোৱালী বিলাকৰ মনৰ পৰা গুৰিতে এই মনোভাৱ দূৰ কৰা নহয় তেতিয়ালৈকে কোনেও তেওঁলোকৰ মনৰ পৰা এই বিচ্ছিন্নতা দূৰ কৰিব নোৱাৰিব যিহেতু এই জনজাতি বা অনুসূচিত বা ও, খি, চিৰ লোকসকলে চীৰদিনেই তেনে হৈয়ে থাকিবলৈ নিবিচাৰে। তেওঁলোকে পিচপৰি থকাৰ পৰা উন্নতিৰ ফালে যাবলৈ নিশ্চয় ইচ্ছা কৰে গতিকে ১৪ বছৰলৈকে বাধ্যতামূলক শিক্ষা দিয়াৰ ব্যৱস্থা কৰি কণ কণ লৰা-ছোৱালী বিলাকৰ মন মিলাক তলৰ পৰাই জাত-পাতৰ মতভেদ দূৰ কৰিব পৰাকৈ শিক্ষাদানৰ ব্যৱস্থা কৰিব লাগে।

গতিকে আমি সকলো লৰা-ছোৱালীকে একে ধৰনৰ শিক্ষা দিবৰ কাৰণে চাব লাগিব আৰু তলৰ ফালৰ পৰাই এই ধৰনৰ শিক্ষাই দি আহিব লাগিব। অন্ততঃ ১৪ বছৰ বয়সলৈকে বিনামূলীয়া শিক্ষা দিবৰ যিটো প্ৰস্তাৱ আনিছে

সেইটোৰ ব্যৱস্থা কৰিব লাগে। অৰুনাচল মাত্ৰ সিদিনা সৃষ্টি হৈছে। তাত প্ৰাইমেৰী স্কুলৰ পৰা হাইস্কুললৈ লৰা-ছোৱালীক বিনামূলীয়া শিক্ষা দিবৰ বাবে অৰুনাচল চৰকাৰ আৰু কেন্দ্ৰিয় চৰকাৰে ব্যৱস্থা কৰিছে। তাত সকলো ধৰণৰ স্কুল বিলাকেই ৰেচিদেনচিয়েল। আনকি লৰা-ছোৱালীক বৃত্তি আদি দি না না ৰকমে সহায় কৰা হৈছে। তাৰ লৰা-ছোৱালীৰ বাবে চৰকাৰে শতকৰা ৭৫ ভাগ বহন কৰে আৰু শতকৰা ২৫ ভাগ টকাহে অভিভাৱকে বহন কৰিব লগা হয়। কিতাপ পত্ৰ কাপোৰ কানি আদি সকলো খৰচ চৰকাৰে বহন কৰে। এইদৰে উৎসাহ যোগোৱাৰ বাবে ভিতৰুৱা অঞ্চলৰ লৰা-ছোৱালীও পঢ়িবৰ বাবে উতসাহিত হৈ ওলাই আছে। আৰু এইদৰে তেওঁলোকৰ মাজত দিনে দিনে ছাত্ৰ-ছাত্ৰীৰ ভৰ্ত্তিৰ সংখ্যা দিনক দিনে বাঢ়ি আহিছে।

উপাধ্যক্ষ মহোদয়, অজি আমাৰ ইয়াত নৈশ বিদ্যালয় স্থাপন কৰা হৈছে। ননফৰমেল স্কুল বিলাকে এতিয়ালৈকে পৰিকল্পিত ভাৱে একো কাম কৰিব পৰা নাই। তেওঁলোকৰ কোনো ফৰমেলিটি নাই। তাত শিক্ষকে দৰমহা পায় মাহে ৫০ টকা। গতিকে স্কুলসৈ শিক্ষকো নাহে ছাত্ৰ ছাত্ৰীও নাহে। কিতাপ কাগজ দুখীয়া লোকে কিনিব নোৱাৰে। সকলো খৰচ অভিভাৱকসকলে বহন কৰিব লগা হয়। গতিকে প্ৰথমে নাম লগাই ললেও অলপ দিনৰ পিচতেই ছাত্ৰ সকলৰ নাম কাটি দিয়ে। ইয়াৰোপৰি পাঠ্য পুথিৰ দিনে দিনে পৰিবৰ্ত্তন হৈছে। এই দৰে পাঠ্য পুথি পৰিবৰ্ত্তন হৈ থাকিলে ছাত্ৰ-সকলৰ বছৰি বছৰি কিমান অসুবিধা হৈ পৰে। ইয়াৰোপৰি কিতাপৰ পৰিষৰ ইমান ডাঙৰ যে, কিতাপৰ দামো বহুত বেছি হৈ পৰে। গতিকে ছিলেবাছত যিবিলাক লেচন পৰে সেইবিলাক থকাকৈ কিতাপ চপা কৰিব লাগে। তেতিয়া কিতাপৰ কলেৱৰ কমিব আৰু কিতাপৰ দামো কমিব। এতিয়া কিতাপ বিলাকত বহুতো লেচন থাকে যিবিলাক ছাত্ৰ-ছাত্ৰীয়ে নপঢ়ে অৰ্থাত কৰ্চত নপৰে। আজি কালি ছাত্ৰই পঢ়িবলগা লেচনকো পঢ়িবলৈ মন নকৰে তেনে স্থলত নপঢ়িব লগা লেচন কেতিয়াও নপঢ়ে। গতিকে ১৪ বছৰৰ লৰা ছোৱালীক বিনামূলীয়া শিক্ষা দিয়াৰ ব্যৱস্থা কৰিব লাগে। কাৰণ আজিকালি স্কুলৰ পৰিৱেশতাই নাই তাত আকৌ শিক্ষা লাভ কৰে কেনেকৈ? আজি কিছুমান স্কুলত চাল নাই, বেৰ নাই, শিক্ষা দিবৰ বাবে

যি আৱশ্যকীয় সা-সজুলি সেই বিলাক নাই গতিকে শিক্ষা দিয়ে কেনেকৈ? বতাহ ধুমুহাৰ কথাই নাই। বতাহ ধুমুহা আহিলে মুৰগীয়ে পোৱালী লৈ ঘৰৰ চুকত বহি থকাৰ দৰে শিক্ষকে লৰা-ছোৱালীলৈ বহি থাকিব লগা অৱস্থা হয়। গতিকে অধ্যক্ষ মহোদয়, আমাৰ এই নৈশ বিদ্যালয়বোৰ উঠাই দিলে ভাল হয়। এই নৈশ বিদ্যালয় বিলাকত টকা পইচা খৰচ কৰাৰ কোনো প্ৰয়োজন নাই। পঢ়াশুনা একো নহয় গতিকে এইবিলাক নামত স্কুল নাৰাখি উঠাই দিয়াৰ ব্যৱস্থা কৰিব লাগে। এম, ই, পাছ কৰাৰ পিচত লৰা ছোৱালীয়ে এইট, নাইন বা মেট্ৰিকলৈকে পঢ়িলে সেই সবাই মেট্ৰিক পাচ কৰাৰ পিচত নানা ৰকমৰ ট্ৰেইনিং কৰিবলৈ সুবিধা পায়। গতিকে আমাৰ স্কুল বিলাকত ১৪ বছৰ বয়সলৈকে লৰা-ছোৱালীক বিনামূলীয়া শিক্ষা দিয়াৰ ব্যৱস্থা কৰিব লাগে। আজিকালি চৰকাৰৰ ফালৰ পৰা বুক বেংক বিলাকে নানা ৰকমৰ কিতাপ পত্ৰ দি থাকে। ইয়াৰোপৰি নানা ৰকমৰ গ্ৰাণ্ট আদিও চৰকাৰৰ ফালৰ পৰাও দিয়া হৈছে বুক বেংক বিলাক নিজে কিতাপ দিয়াৰ কাৰণে আলমাৰীৰ অভাৱত স্কুল বাৰান্দাতে কিতাপ পৰি থাকিব লগা হয়। অ বি চি, চিদিউল কাষ্ট, চিদিউল ট্ৰাইব আদিৰ যি গ্ৰাণ্ট দিয়া হয়, সেই বিল কি প্ৰধান শিক্ষকক দি দিব লাগে আৰু প্ৰধান শিক্ষকে লিষ্ট কৰি যি যি কিতাপৰ প্ৰয়োজন সেইবিলাক কিতাপ আনিব লাগে। অৱশ্যে লয়াৰ্চ বুকৰ পৰা নচলা কিতাপ বিলাক লৈ গলেই হোৱা নহয়। সদায় বিফৰ্ম তলৰ পৰা হব লাগে। আমি কলেজ পৰ্য্যন্ত কৰিব নোৱাৰিলেও হাই স্কুল পৰ্য্যায়লৈ বিনামূলীয়া শিক্ষা দিয়াৰ ব্যৱস্থা কৰিব লাগে।

আমাৰ অসমীয়াতো এটা কথা আছে। সেইটো হৈছে,

"পঢ়িবা গুনিবা, মৰিবা দুখে,
মৎস্য মাৰিবা খাইবা সুখে॥"

উপাধ্যক্ষ মহোদয়, এতিয়া পঢ়িওনি একো লাভ নাই বুলি আমাৰ গাৱৰ মানুহে বিশ্বাস কৰে। আজিৰ শিক্ষা ব্যৱস্থাত অৰ্থাৎ আজিৰ পুথি-গত বিদ্যাইযে মানুহক একো সহায় কৰিব নোৱাৰে সেইটো মানুহে ধৰি লৈছে।

( সময়ৰ সংকেট )

মোক আৰু সময় লাগিব উপাধ্যক্ষ মহোদয়, মোৰ এইয়া পাত-নিহে। মোৰ আৰু কব লগা বহুতো আছে। মোক যথেষ্ট সময় লাগিব। এইখিনিতে মোৰ এটা সংস্কৃত শ্লোকলৈ মনত পৰিছে :—

"বিদ্যা নাম নৰস্য ৰূপম অধিকম,
প্ৰসন্ন গুপ্তং ধনম,
বিদ্যা ভোগ যশঃকাৰি, সুখঃকাৰি
বিদ্যা গুৰুনাং গুৰু"।

অৰ্থাৎবিদ্যাই মানুহৰ শোভা বা ৰূপ বৰ্দ্ধন কৰে, ই লুকাই থোৱা গুপ্ত ধনৰ নিচিনা, বিদ্যা আহৰণৰ দ্বাৰা যশ ভোগ আৰু সুখ ভোগ কৰিব পাৰি, গতিকে এই বিদ্যা গুৰোৰো গুৰু বুলি কোৱা হৈছে।

Mr. Deputy Speaker :— The House stands adjourned till 10 A. M. Saturday, the 7th May, 1977.

## ADJOURNMENT

The House then rose at 11·30 A. M and stood adjourned till 10 A M on Saturday, the 7th May, 1977.

Dated Dispur
The 6 th May' 1977

P. D. Barua
Secretary
Assam Legislative
Assembly